Rs. 27,18,449.62 P. from 12th October, 1974 (i. e. date of expansion of the Ministry) till 31st January, 1976.

### Motion

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম (মন্ত্ৰী) : মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২৭৷২৷৭৬ তাৰিখে উত্তৰ দিওঁতে জনজাতীয় সমাজত মাদক দ্ৰব্যৰ ব্যাপক প্ৰচলনৰ কথা আলোচনা কৰা হৈছিল। এই ব্যাপক প্ৰচলন জনজাতীয় সমাজত এতিয়াও চলিয়েই আছে। চৰকাৰৰ ফালৰ পৰা মাদক দ্ৰব্য নিবাৰণৰ কাৰণে আইন ৰচনা কৰিছে। কিন্তু এই মাদক দ্ৰব্য নিবাৰণ কৰিবলৈ হলে অকল আইনৰ দ্বাৰাই সেইটো সম্ভৱপৰ নহয়। তাৰ কাৰণে আমাৰ সমাজত সমাজ কৰ্মীৰো প্ৰয়োজন। সমাজকৰ্মী সকলে মাদক দ্ৰব্যৰ অপকাৰিতা সম্পৰ্কে ব্যাপকভাবে অভিযান চলালে নিশ্চয় এই প্ৰচলন বন্ধ কৰিব পৰা হব। সেয়ে কৰিব পাৰিলে এই লোক সকলৰ মানসিক উতকৰ্ষতা সাধন কৰিব পৰা যাব আৰু তেখেত সকলৰ আৰ্থিক উন্নতিতো ই যথেষ্ঠ পৰিমাণে সহায় কৰিব বুলি মোৰ বিশ্বাস। সেইকাৰণেই অধ্যক্ষ মহোদয়, মই আজি ইয়াৰ যোগেদি আমাৰ সমাজকৰ্মী সকললৈ এই নিবেদন জনাব খুজিছোঁ যে, জনজাতি সমাজৰ পৰা মাদক দ্ৰব্য গুচোৱাৰ কাৰণে যেন তেওঁবিলাকে ব্যাপক অভিযান চলায় আৰু চৰকাৰৰ এই নিবাৰণী প্ৰচেষ্টাত যেন সক্ৰিয় সহযোগ আগবঢ়ায়। জনজাতীয় লোকৰ শিক্ষা আৰু আৰ্থিক উন্নয়ণৰ কাৰণে এই বিভাগৰ মাধ্যমেদি এই কেইটা আঁচনি গ্ৰহণ কৰা হয়, —

ভৈয়ামৰ জনজাতি

প্ৰথম বিভাগ-শিক্ষা

১। বিনামূল্যে শিক্ষা।

২। বিশেষ বৃত্তি।

৩। কৃষ্টিমূলক কাৰ্য্যৰ বাবে মঞ্জুৰী।

৪। বেচৰকাৰী শিক্ষামূলক প্ৰতিষ্ঠানৰ বাবে মঞ্জুৰী।

দ্বিতীয় বিভাগ-আৰ্থিক উন্নতি

৫। কাৰিকৰী শিক্ষাৰ বৃত্তি।

৬। শিক্ষান্ত শিকাৰু আৰু কৰ্মৰত কাৰিকৰী সকলৰ বাবে আৰ্থিক সাহাৰ্য্য।

৭। বিভিন্ন কাৰিকৰী বিদ্যাৰ বাবে জলপানী।

৮। অনুসুচিত জনজাতিৰ মাজত ৰেচম আৰু বয়ন শিল্পৰ উন্নতি বিধান।

৯। পশু চিকিত্‌সকক ক্ষেত্ৰ সহায়কৰ প্ৰশিক্ষণৰ বাবে জলপানী।

১০। ব্যক্তি পৰিচালিত গাহৰী আৰু গৰু আদিৰ পাম খোলাৰ মঞ্জুৰী।

১১। ৰাস্তা আৰু দলং নিৰ্মাণ আৰু এইবোৰৰ উন্নতি আৰু সমাপ্তিকৰণ।

১২। বিভিন্ন ধৰণৰ সমবায় সমিতিৰ বাবে মঞ্জুৰী।

তৃতীয় বিভাগ—স্বাস্থ্য, গৃহ নিৰ্মাণ আৰু অন্যান্য।

১৩। যক্ষা আৰু অন্যান্য দুৰাৰোগ্য ৰোগৰ দ্বাৰা আক্ৰান্ত ৰোগীসকলৰ বাবে আৰ্থিক সাহায্য।

১৪। ধাত্ৰী সেৱা প্ৰশিক্ষণৰ জলপানী।

১৫। বেচৰকাৰী অনুষ্ঠানৰ দ্বাৰা পৰিচালিত কুষ্ঠ প্ৰতিযেধক আচনিৰ বাবে মঞ্জুৰী।

১৬। গ্ৰাম্য পানীযোগানৰ বাবে মঞ্জুৰী আগতে দিয়া হৈছিল যদিও যোৱা বছৰৰ পৰা এই বিভাগে নিদিয়ে।

১৭। ভেষজালয়ৰ উন্নতি বিধান আৰু সম্পুৰ্ণ আচনিবোৰৰ সমাপ্তিকৰণ।

১৮। অনুসূচিত জনজাতিৰ কল্যাণমুলক বেচৰকাৰী অনুষ্ঠানৰ বাবে মঞ্জুৰী।

১৯। আত্ম সাহাৰ্য্যমূলক আচনিৰ বাবে মঞ্জুৰী।

২০। জনজাতিৰ বিশ্ৰাম ঘৰ নিৰ্মাণ।

২১। ভৈয়ামৰ জনজাতিৰ উন্নয়ণ নিগমৰ দ্বাৰা ৰাষ্ট্ৰীয়কৃত বেংক বিলাকৰ পৰা বিভিন্ন কামৰ কাৰণে কেনেকৈ সহায় কৰিব পাৰি তাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। তাৰ পিছত অনুসূচীত জাতি বিলাকৰ কাৰণেও তদ্ৰূপ ব্যৱস্থাই লোৱা হৈছে। যেনে—

১। বিনা মূল্যে শিক্ষা আৰু তাৰ কাৰণে বৃত্তি আদি দিয়া হয়। আৰ্থিক উন্নতিৰ কাৰণে কাৰিকৰী শিক্ষাৰ বৃত্তি দিবৰ কাৰণে আৰ্থিক সাহাৰ্য্য দিয়া হয়।

২। শিক্ষাৰ কাৰণে বিশেষ বৃত্তি দিয়া হয়।

৩। কাৰিকৰী শিক্ষাৰ বৃত্তি।

৪। শিক্ষান্ত শিকাৰু আৰু কৰ্মৰত কাৰিকৰী সকলৰ বাবে আৰ্থিক সাহায্য দিয়া হয়।

৫। কুটিৰ শিল্পৰ উন্নতিৰ বাবেও আৰ্থিক সাহাৰ্য্য দিয়া হয়।

৬। বিভিন্ন কাৰিকৰী বিদ্যাৰ বাবে বৃত্তি দিয়াৰ ব্যৱস্থা আছে।

৭। কুটিৰ শিল্পৰ কৰ্ম বা সেৱা কেন্দ্ৰৰ কাৰণেও অৰ্থ মজুৰী দিয়া হয়।

৮। অনুসূচিত জাতিৰ মাজত ৰেচম আৰু বয়ন শিল্পৰ উন্নতি বিধানৰ কাৰণেও ব্যৱস্থা কৰা হয়।

৯। পশু চিকিত্‌সকৰ ক্ষেত্ৰ সহায়কৰ প্ৰশিক্ষণৰ কাৰণে বৃত্তি দিয়া হয়।

১০। ব্যক্তি পৰিচালিত গৰু আৰু গাহৰী পাম খুলিবৰ বাবে সাহাৰ্য্য আৰু

১১। বিভিন্ন ধৰণৰ সমবায় সমিতিৰ বাবে অনুদান।

১২। তাৰ পিছত যক্ষ্মা আৰু অনান্য দুৰাৰোগ্য ৰোগৰ আক্ৰান্ত ৰোগী সকলৰ বাবে মঞ্জুৰী দিয়া হয়।

১৩। ধাত্ৰী সেৱা প্ৰশিক্ষণৰ বৃত্তি দিয়াৰ ব্যৱস্থা।

১৪। গ্ৰাম্য পানীযোগান আচনিৰ কাৰণে আগতে টকা পইছা দিয়া হৈছিল যদিও আজি দুবছৰৰ পৰা সেইটো এই বিভাগৰ ফালৰ পৰা দিয়া নহয়।

১৫। হৰিজনকে আদি কৰি অনুসূচিত জাতিৰ লোকৰ বাবে গৃহনিৰ্ম্মাণৰ মঞ্জুৰী দিয়াৰ ব্যৱস্থা আছে।

১৬। অনুসুচিত জাতিৰ কল্যাণমুলক বেচৰকাৰী অনুষ্ঠান আৰু নামঘৰ আদিৰ বাবে সাহাৰ্য্য আগবঢ়োৱা হয়।

১৭। আত্ম সাহাৰ্য্যমুলক আচঁনিৰ বাবে অনুদান দিয়া হয়।

(সদনত থুলৰ অভাৱ)

উপাধ্যক্ষ মহোদয়, তাৰ বাহিৰেও কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাৰ পৰা অনুসুচিত জাতি আৰু জনজাতিৰ লৰা-ছোৱালী বিলাকৰ কাৰণে বৃত্তি দিয়াৰ বিশেষ ব্যৱস্থা আছে। শিক্ষাৰ সম্প্ৰসাৰণৰ কাৰণে 'হোষ্টেল' ঘৰ আদি তৈয়াৰ কৰাৰ ব্যৱস্থা আছে। লগতে সমবায় সমিতিবোৰক অনুদান দিয়াৰ ব্যৱস্থা আছে। ইয়াৰ বাহিৰেও এই সদনৰ পৰা যিখিনি টকা বৰাদ্দ কৰা হয় সেইখিনি চাপ্লিমেণ্টেৰী ডিমাণ্ড হিচাবে খৰছ কৰি এই দুইটা সম্প্ৰদায়ৰ শিক্ষা আৰু সামাজিক, অৰ্থনৈতিক

দিশত আগুৱাই নিবৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰি আছে। তাৰোপৰি, সাধাৰণ যোজনা বিলাকত যি বিলাক আচনি এই লোকসকলৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে লোৱা হয় সেইবিলাকো যাতে কাৰ্যকৰী হব পাৰে আৰু পাবলগীয়া সকলো বিলাক সুবিধা পাব পাৰে তাৰকাৰণেও ব্যৱস্থা কৰা হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজগদীশ দাস ডাঙৰীয়াই গৰীব মানুহৰ সংখ্যা বৃদ্ধি হোৱাৰ কথা উল্লেখ কৰিছে আৰু লগতে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতীয় লোকৰ মাটি-বাৰীৰ সমস্যাৰ কথাও উল্লেখ কৰিছে। আমাৰ সমাজত থকা অস্পৃশ্যতাৰ কথাও উল্লেখ কৰিছে। আমাৰ গাৱঁৰ মানুহ বিলাক ঋণগ্ৰস্ত হোৱা আৰু এমপ্লয়মেণ্ট নোপোৱাৰ কথাও উল্লেখ কৰিছে। আৰু চৰকাৰৰ ফালৰ পৰা যি সংৰক্ষনৰ ব্যৱস্থা আছে তাত বেক লগ থকা বুলিও কৈছে।

মাননীয় সদস্য শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী ডাঙৰীয়াই এই জাতি কেইটাৰ কাৰণে কোনো নিৰ্দ্দিষ্ট আচনি লব পৰা নাই বুলি কৈছে। যিবিলাক টকা খৰচ কৰা হৈছে সেইবিলাক অপব্যয় হৈছে বুলি কৈছে। তেখেতে কৈছে যে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ যি সকল মাটিহীন মানুহক ঘৰ সজাৰ কাৰণে টকা দিয়া হয় প্ৰত্যেককে ৰাজহ বিভাগৰ পৰা ১৫০ টকাকৈ দিয়া হয়। এইটো যথেষ্ঠ নহয় বুলি কৈছে।

উপাধ্যক্ষ মহোদয়, আপুনি জানে যে আমাৰ দেশৰ যি সকল মানুহ ঋণত পোত গৈ আছে সেই সকলক ঋণ মুক্ত কৰাৰ কাৰণে চৰকাৰৰ ফালৰ পৰা আচনি গ্ৰহণ কৰা হৈছে আৰু অস্পৃশ্যতা গুচাবৰ কাৰণেও ব্যবস্থা চলাই থকা হৈছে। গৰীব মানুহ বিলাকক বেংকৰ পৰা কেনেকৈ সহায় কৰিব পৰা যায় তাৰ কাৰণেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

চিডুল কাচটৰ শতকৰা চাৰে ৭ ভাগ জনজাতীয় লোকৰ শতকৰা ১০ ভাগ চাকৰি চৰকাৰৰ ফালৰ পৰা আচুতীয়াকৈ সংৰক্ষণৰ ব্যৱস্থা আছে। এই সংৰক্ষণ অনুসৰি আমাৰ যিবিলাক বিভিন্ন বিভাগত বেক লগ আছে সেইবিলাক উলিয়াবৰ কাৰণে চিডুল কাচট এডভাইচাৰী কমিটিয়ে এটা চাব কমিটি কৰি দিছে আৰু চিডুল ট্ৰাইবচ এডভাইচাৰী কমিতিয়ে এটা চাব কমিটি কৰি দিছে। চিডুল কাটচৰ চাব কমিটিয়ে কোন কোন বিভাগত কিমান বেক লগ আছে সেই বিলাক চাই এটা ৰিপৰ্ট দাখিল কৰিছে আৰু চিডুল ট্ৰাইবচ চাব কমিটিয়ে এটা আংশিক ৰিপৰ্ট দাখিল কৰিছে। আমাৰ এই পবিত্ৰ সদনত এখন আইন পাচ কৰা হল চিডুল কাচট আৰু চিডুল ট্ৰাইবচক সংবিধানে বিষয়াক ব্যৱস্থা দিছে সেই বিলাক সংবিধান মতে পাইছেনে নাই সেইটো চোৱাৰ কাৰণে আমাৰ সদনৰ ফালৰ পৰা এটা কমিটি গঠন কৰি দিয়াৰ সিদ্ধান্ত গ্ৰহন কৰা হৈছে।

এতিয়া এই কমিটিয়ে এই বেক লগ বিলাক নিশ্চয় চোৱা চিতা কৰিব আৰু সদনত তেখেত সকলৰ ৰিপর্ট দাখিল কৰিব। সেই মতেই চৰকাৰে যি বিলাক বেক লগ আছে সেই বিলাক দূৰ কৰিবলৈ চেষ্টা কৰিব।

উপাধ্যক্ষ মহোদয়, আমাৰ অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে বছৰি বছৰি ৰাজ্যিক যোজনাৰ পৰা আৰু কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত যিমান টকা দিয়া হয় সেই বিলাক ঠিক মতে বিতৰণ হৈছেনে নাই সেই বিলাক কথা এডভাইচাৰী কমিটিত আলোচনা কৰা হয়। প্ৰত্যেক মহকুমাৰে জনসংখ্যাৰ ভিত্তিত টকা ভাগ কৰি দিয়া হয়। আৰু বৰ্ডে দৰ্খাস্ত লৈ কাক কেনেকৈ মঞ্জুৰী দিব লাগিব এই ব্যৱস্থা লৈ আছে আৰু লৈ থাকিব। এই টকা যি কামত দিয়া হৈছে সেই কামত ঠিকমতে খৰচ হৈছেনে নাই সেই বিলাক চাবলৈ আৰু পাবলগীয়া মানুহে পাইছেনে নাই সেই বিলাক কথা তদাৰক কৰিবলৈ প্ৰত্যেক মহকুমাতে একোজনকৈ উৱেলফেয়াৰ অফিচাৰ নিয়োগ কৰা হৈছে। এই ওৱেলফেয়াৰ অফিচাৰজনে কাৰ্য্যকৰীৰ দায়িত্ব দিয়া হব। আমি এইবোৰ কাম ঠিক মতে কৰিব পাৰিলে আমাৰ জনজাতি আৰু অনুসূচীত জাতিৰ কাৰণে চৰকাৰৰ ফালৰ পৰা শিক্ষা অৰ্থনৈতিক উন্নয়নৰ কাৰণে যিখিনি প্ৰচেষ্টা চলাইছো সেইটোত কৃতকাৰ্য্য হম।

মাটিৰ কথা শ্ৰীদাস ডাঙৰীয়াই উল্লেখ কৰিছে। এই সম্পৰ্কত চৰকাৰে স্পষ্ট নীতি গ্ৰহণ কৰিছে। আমাৰ কুৰি দফীয়া আচনি অনুসৰি আমাৰ দেশৰ যিবিলাক মানুহৰ ঘৰ কৰাৰ কাৰণে মাটি নাই তেওঁলোকক ৩০ জুনত সম্পুৰ্ণ ৰূপে মাটি দিয়াৰ কথাটোৰ ব্যৱস্থা চলিছে। এই অনুসৰি অনুসূচীত জাতি অনুসূচীত জনজাতিসকল নিশ্চয় সেই হিচাবে মাটি পাব আৰু মাটিৰ সমস্যা সমধান কৰিব পৰা হব। এই খিনিকে কৈ মই মোৰ মন্তব্যৰ শেষ কৰিলো।

Shri Mal Chandra Pegu : Sir, the Hon'ble Minister has mentioned about the welfare activities done for the Scheduled-castes and Scheduled-tribes people of the State. But he has not made it clear whether Government has made any provision for reservation of seats of our Scheduled-castes and Scheduled-tribe girls and boys for admission into the Government Schools and Colleges. So, sir, I would like to request him to take it up with the Education Depertment so that provision for reservation of seats of our Scheduled-caste and Scheduled-tribe boys and girls can secure admission into various Government High Schools

and Colleges. At present there is no such provision and as a result of that our boys and girls are regularly deprived of getting better education.

Then, Hon'ble Minister has stated about the provision of scholarship for undergoing training of Midwifery and probationer Nurses. But he has not made it clear about the Educational qualification that will be required for the Scheduled caste and Scheduled-tribe girls. In this connection I would like to request the Hon'ble Minister to take it up with the Health Department so that Non-matric girls will get the facility in the matter of receiving training of Midwifery course. Then, sir, for Probationer-Nurse-Training, Matriculation is necessary. But, sir, so far as I understand, this time not a single tribal girl has been selected for such training because none was found qualified. So, I would request the Hon'ble Minister to take it up with the appropriate department. Then, regarding the training of V.F.A. at Ghoongur, Uptil now not a single boy from Scheduled-caste and Scheduled-tribe has been selected for admission into the training of V.F.A. because of the prescribed educational qualification. So, I request the Minister to look into it so that the educational qualification in the matter of securing V.F.A. training on the part of the Scheduled caste and scheduled tribe boys is relaxed. Sir, for construction of girls hostel money has been provided, but it is not enough. The money provided is quite insufficient to meet the growing needs of the tribal girls. Unless the tribal girls are hostelised it will be difficult on their part to come put successful in the final examination and therefore, I request the Hon'ble Minister to make some special consideration in respect of sanctioning grants for construction of girls hostel belonging to scheduled caste and Scheduled tribes girls.

Shri Uttam Chandra Brahma (Minister): Sir, the Government will look into the matter suggested by the hon-ble member.

শ্ৰীসোনেশ্বৰ বৰা : উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ এই অধিবেশনত মই মোৰ প্ৰস্তাৱটো উত্থাপন কৰিলো। প্ৰস্তাৱটো হৈছে এই—'এই বিধান

সভাই ৰাজ্যখনৰ প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাত অনগ্ৰসৰতাৰ বিষয়ে আলোচনা কৰক।'

মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত বিশ্বৰ বিভিন্ন খণ্ডত আজি বহুতো আগবাঢ়ি যোৱা দেখা গৈছে। চন্দ্ৰলোকলৈ মানুহ পঠাইছে আৰু সেইদৰে মঙ্গল গ্ৰহলৈও উৎক্ষেপন যন্ত্ৰ পঠাইছে। তাৰোপৰি এই কেইবছৰমানৰ ভিতৰতে চন্দ্ৰলোকত মানুহৰ জন্ম অৰ্থাত সন্তান জন্ম দিবলৈও চেষ্টা কৰিছে। তাৰোপৰি চন্দ্ৰলোকত মানুহৰ বসবাসৰ চিন্তা কৰিছে। বিশ্বই এনে চুৰান্ত অগ্ৰগতি লাভ কৰাৰ সময়ত আমি আমাৰ অসম তথা ভাৰতবৰ্ষত আজি প্ৰাইমাৰী শিক্ষাৰ বিষয়ে আলোচনাৰ কথা ভাবিছো। বিশ্ব আৰু তাৰে এক খণ্ড ভাৰত আৰু তাৰ মাজেৰে অসমৰ শিক্ষাৰ ক্ষেত্ৰত যি ব্যৱধান সেই সম্পৰ্কত চৰকাৰৰ উপলব্ধি কৰাৰ আৱশ্যকতা আছে। আমাৰ অসমত ১৯৭১ চনৰ জন-পিয়লত জনসংখ্যা আছিল ১ কৌটি ৪৬ লাখ ২৫ হাজাৰ ১৫২ জন। ইয়াৰে পুৰুষৰ সংখ্যা ৭৭ লাখ ১৪ হাজাৰ ৭৭০ জন আৰু মহিলাৰ সংখ্যা ৬৯ লাখ ১০ হাজাৰ ৯১২ জন। এই সংখ্যাৰে গুৱাহাটী মহানগৰীকে আৰন্ত কৰি অসমৰ যি ৭২ খন সৰু ডাঙৰ নগৰৰ সৃষ্টি হৈছে সেই নগৰ সমূহত বাস কৰে ১২ লাখ ৮০ হাজাৰ ২২২ জন মানুহ। আৰু বাকী অৱশিষ্ট ১ কৌটি ৩৩ লাখ ৩৬ হাজাৰ ৯৮০ জন মানুহ নগৰৰ বহিৰাঞ্চলত বাস কৰে। সাধাৰণতে দেখা মতে আমাৰ ৰাজ্যখনত স্কুল বা পঢ়াশালি আদি অনুষ্ঠান নিচেই কম নহয়। কিন্তু জনসংখ্যা অনুপাতে এই পঢ়াশালি বিলাকৰ সংখ্যা কম। আমাৰ ৰাজ্যখনত মানুহে বসবাস কৰা অঞ্চল কেইটাৰ ভিতৰত ২৬ হাজাৰ খন গাওঁ আৰু ৭৫০ খন চাহ বাগিছাৰ উপৰিও তেল নগৰীকে লৈ ভালেমান শিল্প অঞ্চলো আছে। ইয়াৰ ভিতৰত শতকৰা ৯০ ভাগ অধিবাসী সাংবিধানিক ছত্ৰছায়াত বাস কৰা জনজাতীয়, অনুসূচীত আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ লোক। এই বৈচিত্ৰপূৰ্ণ অসম ৰাজ্যখনত চৰকাৰৰ হিচাব মতে প্ৰাথমিক স্কুল সমূহত মুঠ ১৪ লাখ ল'ৰা-ছোৱালীয়ে পঢ়ে। এই ছাত্ৰ-ছাত্ৰীৰ কাৰণে ১৯ হাজাৰ প্ৰাইমাৰী স্কুল আছে। আৰু তাৰ কাৰণে ৪০ হাজাৰৰো অলপ বেছি শিক্ষক আছে। অধ্যয়ন কৰি চালে দেখা যায় যে ১৯ হাজাৰ প্ৰাথমিক স্কুলৰ কাৰণে ৪০ হাজাৰৰ অলপ বেছি শিক্ষক অৰ্থাৎ গড়ে প্ৰত্যেক স্কুলতে দুজনকৈ শিক্ষক হয়। আৰু ১৪ লাখ ছাত্ৰ-ছাত্ৰীৰ কাৰণে ১৯ হাজাৰ স্কুলৰ সংখ্যাক যদি ভাগ কৰা হয় তেনেহলে গড়ে ৭৩ বা ৭৪ জন ছাত্ৰ-ছাত্ৰী এখন স্কুলত পঢ়ে। গতিকে ৭৩ বা ৭৪ জন ছাত্ৰ-ছাত্ৰীৰ কাৰণে একোখন স্কুলত মাত্ৰ দুজন শিক্ষক দিয়াটো প্ৰকৃততে চৰকাৰৰ কৰ্তব্য

পালন হোৱা নাই। পৃথিবীৰ উন্নত দেশ সমূহত প্ৰতি ১০-১২ জন ছাত্ৰ-ছাত্ৰীৰ কাৰণে একোজন শিক্ষক নিয়োজিত হয়। সেইদৰে মই ভাবো আমাৰ অসমৰ প্ৰাথমিক স্কুল সমূহত অন্ততঃ পক্ষে ২০-৩০ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত একোজন শিক্ষক নিয়োগ কৰাৰ নীতি আছে কিন্তু সেই নীতি চৰকাৰে পালন কৰিব পৰা নাই। আজি অসমৰ নগৰ-চহৰ, গাঁৱে-ভূঁয়ে সকলোতে শিক্ষাৰ প্ৰতি আগ্ৰহ পৰিলক্ষিত হৈছে আৰু সেই অনুপাতে স্কুল কলেজত পঢ়িবলৈ ওলাই অহা আগ্ৰহী ল'ৰা-ছোৱালীৰ সংখ্যা বৃদ্ধি পাইছে। আজি স্বাধীনতাৰ ২৯ বছৰ ভিতৰত, এই কালচোৱাত জন্ম গ্ৰহন কৰা সকলৰ ভিতৰৰ পৰা এই বিধান সভালৈ সদস্যও নিৰ্বাচন হৈ আহিছে। আৰু বিভিন্ন ক্ষেত্ৰত শিক্ষা সম্পৰ্কীয় আচনি চৰকাৰে লৈছে যদিও বৰ পৰিতাপৰ কথা যে শতকৰা ২৯ জনৰ বেছি স্বাক্ষৰ মানুহ ওলাই আহিব পৰা নাই। গতিকে এইটো দেখা যায় যে বাকী শতকৰা ৭১ ভাগ মানুহ এতিয়াও নিৰক্ষৰ হৈ আছে। মই এই বিষয়ে আগতেও কৈছো আৰু আজিও কওঁ যে স্বাধীনতাৰ ২৯ বছৰ পিচতো এই শতকৰা ৭১ ভাগৰ নিৰক্ষৰৰ অংকটো অৰ্থাৎ স্বাক্ষৰৰ সংখ্যা শতকৰা ২৯ বিশেষ পৰিবৰ্তন হোৱা নাই। এনেকৈ আমাৰ শিক্ষাৰ ব্যৱস্থা চলিছে।

( কোৰাম নাই )

উপাধ্যক্ষ মহোদয়, এইটো কথা ঠিক যে এই সন্দৰ্ভত চৰকাৰৰ ফালৰ পৰা যিটো সমিধান দিব তাত হয়তো কব যে আমাৰ ইয়াত অকল ১৯ হাজাৰ প্ৰাথমিক স্কুলেই নহয়, মাধ্যমিক স্তৰত আমাৰ প্ৰায় ১,৪৩৫ খন হাইস্কুল আছে। আৰু ২,৩৮৫ খন এম-ই স্কুল, আৰু ৪০ খন উচ্চতৰ মাধ্যমিক স্কুল আছে। এই সংখ্যাৰ উপৰিও এই ৰাজ্যখনত বহুতো ভেনচাৰ হাইস্কুল, এম-ই স্কুল আছে।

উপাধ্যক্ষ মহোদয়, মই আগতে কৈ অহা প্ৰাইমাৰী স্কুলৰ সংখ্যাৰ উপৰিও বহুতো ভেনচাৰ প্ৰাইমাৰী স্কুল আছে।

আজি যদি এই গোটেইখিনি কথা ধৰা হয় তেতিয়াহলে দেখা যাব আমাৰ শিক্ষাৰ সমস্যাটো এটা বিৰাট সমস্যা হৈয়ে ৰৈছে। উপাধ্যক্ষ মহোদয়, আজি আমি যদি আমাৰ অসমখনৰ মহকুমা কেইটাৰ ভিত্তিত স্কুল হিচাবে গণনা কৰি চাও তেতিয়াহলে দেখিম হাইস্কুলৰ সংখ্যা, এই অনুপাতে হৈছে—নৰ্থলক্ষীমপুৰত দেফিচিট হাইস্কুল আছে ২০ খন আৰু এডহক গ্ৰাণ্টৰ আছে ৫০ খন। শিৱসাগৰত আছে- দেফিচিট ৪৪ খন আৰু এডহক ৪৮ খন, গোলাঘাটত দেফিচিট ২৬ খন আৰু এডহক—৪৪ খন, ডিব্ৰুগড় আৰু তিনিচুকীয়াত একেলগে- ৪৯ খন দেফিচিট আৰু এডহক আছে-৪১ খন। নগাও আৰু মৰিগাও লগলগাই-দেফিচিট-৪৭ খন আৰু এডহক-৪৮ খন। তেজপুৰত দেফিচিট-৩৪ খন আৰু এডহক ৩৯ খন। মঙ্গলদৈত ডেফিচিট-২৪ খন আৰু এডহক ৩৪ খন। গুৱাহাটী

নলবাৰীত ডেফিচিট ১০৯ খন আৰু এডহক ক্ৰমে ৬৭ খন আৰু ৫৬ খন। বৰপেটাত দেফিচিট-৪৭ খন আৰু এডহক ৫৫ খন। গোৱালপাৰাত দেফিচিট-৩২ খন এডহক-২৯ খন। ধুবুৰীত দেফিচিট-২৫ খন আৰু এডহক ৪৩ খন। কাছাৰত দেফিচিট-২০ খন আৰু এডহক-৩০ খন। কৰিমগঞ্জ দেফিচিট-৩৯ খন আৰু এডহক ২৮ খন। শিলচৰত দেফিচিট-৩৪ খন এডহক-৩৯ খন। হাইলাকান্দীত দেফিচিট ৮-খন আৰু এডহক-৩২ খন। এই অংকটো ১৯৭৫/৭৬ চনত লোৱা নহয় আৰু কিমান লব সেইটো ধৰা হোৱা নাই। এই হিচাবে আগৰ হিচাব মতে ১৪২৫ খন হৈছে। এই স্কুল বিলাকত বৰ্ত্তমান সময়ত ৪ লাখ লৰা-ছোৱালীয়ে অধ্যয়ন কৰি আছে আৰু এই ৪ লাখৰ উপৰিও এই বয়সৰে শিক্ষা লাভ কৰিব পৰা লৰা-ছোৱালীৰ সংখ্যা অসম খনত ৩০ লাখ মান হব। গতিকে দেখা যায় এতিয়াও বহু সংখ্যক লৰা-ছোৱালীয়ে হাইস্কুলৰ ওপৰ শ্ৰেণী কেইটাৰ মুখ দেখা নাই বুলি এই অনুপাতিকৰ পৰা কব পাৰি। ইয়াৰ উপৰিও ১৮ মাৰ্চৰ পৰা হবলগীয়া হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাৰ কাৰণে পুৰণা কোৰ্চত ৭১,১৫০ জন পৰীক্ষাৰ্থীয়ে পৰীক্ষাত বহিছে আৰু সেইদৰে নতুন কোৰ্চৰ কাৰণে অহা ২ এপ্ৰিলৰ পৰা হব লগা পৰীক্ষাত প্ৰায় ৭১,৭৮৮ জন পৰীক্ষাৰ্থী বহিব গতিকে তেনেক্ষেত্ৰত দেখা যায় যে নতুন কোৰ্চত ইমান বিলাক পৰীক্ষাৰ্থীৰ বাহিৰেও আগৰ বাৰ কৃতকাৰ্য্য হব নোৱাৰা সকলো প্ৰাইভেট হিচাবে পৰীক্ষাত বহিছে গতিকে সেই-ফালৰ পৰা এইটো চিন্তা কৰিব লগীয়া, কিয়নো আজি যদি চৰকাৰেই হওক বা আমাৰ ৰাইজেই হওক আমি এই বিৰাট জনসংখ্যাৰ লৰা-ছোৱালী বিলাকৰ শিক্ষাৰ ক্ষেত্ৰত ভালধৰণে তত্বাবধান লোৱা হলে ইমান সংখ্যক ছাত্ৰ-ছাত্ৰী কেতিয়াও অকৃতকাৰ্য্য নহলহেতেন। আমাৰ ভৱিষ্যত বংশধৰ এই লৰাছোৱালী বিলাকেই এই ল'ৰা-ছোৱালী বিলাক যদি আজি শিক্ষা লাভ কৰাৰ ক্ষেত্ৰত এনেধৰণে বঞ্চিত হয় তেতিয়াহলে আজি আমাৰ চৰকাৰ আৰু সমাজৰ কৰিবলগীয়া কৰণীয় বহুখিনি নিশ্চয় আছে।

উপাধ্যক্ষ মহোদয়, এই শিক্ষা কেনেকৈ ভাল হব কেনেকৈ ইয়াক ভাল কৰিব পাৰি আৰু ইয়াৰ অনগ্ৰসৰতাক কেনেকৈ দুৰ কৰিব পাৰি এই খিনি কথা চৰকাৰে ভাল ধৰণে চিন্তা কৰিব লাগে। কোঠাৰী কমিশ্যনৰ ৰিপোৰ্ট মতে আজি আমাৰ ৰাজ্যত শিক্ষাৰ এটা পৰিবৰ্তন সাধন কৰিব খোজা হৈছে। আৰু সেই অনুসৰি ৬ বছৰ বয়সৰ পৰা প্ৰাইমাৰী শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হ'ল। আগতে বৃটিছৰ দিনত ৫ বছৰীয়া ল'ৰা-ছোৱালীয়ে স্কুললৈ গৈ শিক্ষা আৰম্ভ কৰিছিল।

(থূল নাই)

উপাধ্যক্ষ মহোদয়, মই কোঠাৰী কমিশ্যনৰ ব্যৱস্থাৰ বিৰোধিতা কৰিব খোজা নাই। কিন্তু এইটো কথা থিক যে ৬ বছৰ বয়স প্ৰাইমাৰী শিক্ষাৰ ক্ষেত্ৰত নুন্যতম বয়স হিচাবে লোৱাৰ সময়ত সেই একোটা কমিশ্যনে ৬ বছৰীয়া লৰা-ছোৱালীৰ তলৰ বয়সৰ খিনিৰ কাৰণে যিটো প্ৰাক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থাৰ কথা কৈছিল বা পৰামৰ্শ দিছিল সেই পৰামৰ্শ কাৰণে যিটো গ্ৰহণ কৰিব পৰা কিয় নগল বা এই পৰামৰ্শ গ্ৰহণ নকৰাকৈ প্ৰাইমাৰী শিক্ষা ৬ বছৰ কৰা হ'ল। যদি এটা গ্ৰহণ কৰিব নোৱাৰে তেতিয়াহলে আনটোও গ্ৰহণ কৰিব নালাগিছিল কাৰণ এটা যদি গ্ৰহণ কৰিব পাৰে আনটোও গ্ৰহণ কৰিব পাৰিব লাগিছিল।

যদি এটা গ্ৰহণ কৰিব পাৰে, আনটো গ্ৰহণ কৰিব পাৰিব লাগিছিল। কোৱা হৈছে টকা নাই। হয়তো কোৱা হৈছে অৰ্হতা সম্পন্ন শিক্ষক-শিক্ষয়ত্ৰী যোগাৰ কৰিব পৰা নাই। যদি অৰ্হতা সম্পন্ন শিক্ষক, শিক্ষয়ত্ৰী যোগাৰত অন্তৰায় আছে, অৰ্থ অভাৱ আছিল তেতিয়া হলে সেই বৃটিছ যুগৰ পৰা পাচ বছৰত ক, খ শ্ৰেণীত নাম লিখোৱাৰ যি ব্যৱস্থা আছিল, সেই ব্যৱস্থা আৰু কেই বছৰমানলৈ চলি থকা হলে বোধহয়, ৰামায়ণ মহাভাৰত অশুদ্ধ নহলহেঁতেন। কিন্তু আজি ৬ বছৰ কৰা হল। প্ৰাক প্ৰাথমিক শিক্ষাৰ কোনো ৰকমৰ ব্যৱস্থা কৰিব পৰা নহল। এই সময় চোৱাত যিসকল ল'ৰা-ছোৱালী ৩-৪-৫ বছৰ বয়স প্ৰাপ্ত হৈ আছে সেইসকল কি হব? আজি মানুহৰ এত্‌বেগ আৰু চাঞ্চল্যৰ সৃষ্টি হৈছে। ভেনচাৰ হাইস্কুল প্ৰাক-প্ৰাথমিক স্কুল খোলাৰ ব্যৱস্থা ৰাইজে হাতত তুলি লৈছে। আজি সকলোৱে বুজি পাইছে নিজৰ ল'ৰা-ছোৱালী কেইটা যদি প্ৰাথমিক শিক্ষা লৈ থৈ যাব নোৱাৰে তেতিয়াহলে মাক-বাপেকৰ নিম্নতম দায়িত্ব সেই দায়িত্ব কন পালন কৰা নহব। সেই ফালৰ পৰা মাক-বাপেক সকলে অভিভাৱক সকলে হয়তো নিজৰ ল'ৰা-ছোৱালীক প্ৰাথমিক শিক্ষা দিবৰ কাৰণে চেষ্টা কৰিছে। কিন্তু ৰাজ্যখনত চৰকাৰে সেই অনুপাতে আগবাঢ়ি আহিব পৰা নাই। চৰকাৰে সেই অনুপাতে জনসাধাৰণক লাগতিয়াল সা-সৰঞ্জাম লগতে শিক্ষক শিক্ষয়ত্ৰীৰ যোগাৰ দিব পৰা নাই। ডিব্ৰুগড়ত প্ৰাক প্ৰাথমিক শিক্ষাৰ কাৰণে ভাড়া ঘৰ এটাত ৬০ জনী ছোৱালীৰ শিক্ষা দিব পৰা এটা ঘৰ লৈ তাহানিৰ পৰা চলাই আছে। আৰু উন্নতি কৰি তাত বেচি শিক্ষক যোগাৰ কৰা ব্যৱস্থা এটা চৰকাৰে লব পৰা নাই। ১৯ হাজাৰ প্ৰাথমিক স্কুলৰ সংখ্যাকে যদি ধৰো প্ৰত্যেক স্কুল এলেকাত যিখিনি ঠাই সামৰি লৈছে সেই প্ৰত্যেক ঠাইতে ৩-৪ বছৰৰ লৰা-ছোৱালী আছে। প্ৰত্যেক ঠাইতে ৬

বছৰৰ ওপৰৰ লৰা-ছোৱালী যি পৰিমাণে আছে সেই অনুপাতে প্ৰত্যেক ঠাইতে ৬ বছৰৰ তলৰ বয়সৰ লৰা-ছোৱালী জন্ম লাভ কৰি আছে। প্ৰত্যেক খন প্ৰাইমাৰী স্কুলৰ লগত যে এখন প্ৰাক প্ৰাথমিক স্কুলৰ আৱশ্যক আছে সেই কথা আজি নুই কৰিব নোৱাৰে। এই সময় চোৱাত ভৱিষ্যত বংশধৰ বা ভৱিষ্যত পো-নাতিক আমাৰ সমাজৰ পৰা শিক্ষাৰ পৰা বঞ্চিত কৰি থোৱাৰ কাৰ অধিকাৰ আছে ? এই প্ৰশ্নৰ জবাব ক'ত ? আজি কোঠাৰি কমিচনে নতুন শিক্ষা পদ্ধতি গ্ৰহন কৰোৱাই ভৱিষ্যাত শিক্ষা কি ধৰণৰ হবগৈ, শিক্ষাই কেনে-কুৱা গঢ় লবগৈ ইত্যাদি পৰামৰ্শ দিছে। কৰ্ম অভিজ্ঞতাৰ মাজেদি লৰা-ছোৱালীক তৈয়াৰ কৰিব আৰু প্ৰাক-প্ৰাথমিক স্কুলত কুমলীয়া বয়সৰ ল'ৰা-ছোৱালীক কি ধৰণে শিক্ষা দিব তাৰ নিৰ্দেশনা দিছে। সেই নিৰ্দেশনা বাদ দি উপৰ বা মাজ খাপত এটা শিক্ষা আৰম্ভ কম হয় তেতিয়াহলে ভৱিষ্যত বংশধৰসকল কলিতে মৰহি যাব। ভৱিষ্যত নিৰ্মান কৰাৰ আশা হৈয়ে ৰব। সপোন হৈয়ে থাকিব দিঠক আৰু কাহানিও ঘূৰি নাহিব। সেইকাৰণে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত সমগ্ৰ দেশত শাসন ব্যৱস্থাৰ দায়িত্ব ১৯৫০ চনৰ ২৬ জানুৱাৰীত গৃহীত হোৱা ভাৰতীয় সংবিধানত কোৱা হৈছে যে সংবিধান গৃহীতৰ ১০ বছৰ ভিতৰত অৰ্থাত ৬০ চনৰ ভিতৰত দেশৰ সমগ্ৰ ল'ৰা-ছোৱালী ১৪ বছৰ বয়সলৈ বাধ্যতামূলক আৰু বিনামূলীয়া প্ৰাথমিক শিক্ষা দিব লাগিব। সেই দায়িত্ব কন লবৰ কাৰণে বক্তৃতাৰে চেষ্টা কৰিছে। কাৰ্য্যৰে চেষ্টা কৰা নাই। আজি যিবিলাক পাঠ্যপুথি হৈছে। তাত যি ধৰণে শিক্ষা দিব লাগে সেই ক্ষেত্ৰত বহুত আসোৱাহ আছে। এজন সৰু লৰাই এখন স্কুলত গৈ যিটো আৱহাওৱা বা পাৰিপাৰ্শ্বিকতাৰ মাজত থাকিব লাগে সেইটো নাই।

কোনোবা দুখীয়া টোকোনা লৰা-ছোৱালীয়ে হয়তো মাটিত বাগৰি ধূলিত বাগৰি ডাঙৰ হৈছে। কিন্তু এনে কিছুমান লৰা-ছোৱালী আছে যি সকলে নিজৰ ঘৰত ভাল ঘৰ দুৱাৰ থাকে ভালকৈ বহে। যেতিয়া সৰু সৰু লৰাই সেই বেৰ নাইকীয়া চাল নাইকীয়া ফটা ধাৰি, ঠেলাত স্কুলত গৈ বহিবগৈ লাগে সেই সময়ত সেই সৰু লৰা-ছোৱালীৰ কি মনোবৃত্তি হয়। এটা ডাঙৰ বিপৰ্য্যৰ মাজেদি শিক্ষা জীৱনটো আৰম্ভ কৰে। সেই মনাস্তত্ত্বিক বিষয়টোৰ অধ্যয়ন কৰিবলৈ কি ব্যৱস্থা লৈছে তেওঁলোকৰ তেজ মঙহৰ ওপৰত আজি শিক্ষা-নীতি পৰীক্ষাৰ খেলা কৰিছে। সেই খেলা বন্ধ কৰিব লাগে। আজি টকা নাই এই অজুহাত দেখুৱাই ভৱিষ্যত বংশধৰ সকলক শিক্ষা জ্ঞান লাভ কৰাত যাতে বঞ্চিত কৰিব নোৱাৰে তাৰ ব্যৱস্থা এই বিধান সভাই কৰিব লাগিব। সচাকৈ অসম খন যদি আজি এখন

স্বাধীন অসম হলহেতেন টকা নাই বুলি বহি থাকিলেহেতেন ? অসমতকৈ সৰু কম জনসংখ্যা থকা স্বাধীন দেশে ভাল শিক্ষা প্ৰণালী এই পৃথিৱীত গ্ৰহণ কৰিছে। অসমত নাই কি ? ভগৱানৰ অৱদানত অসমত সকলো আছে। কিন্তু আজি সকলো নাই। ভূল নেতৃত্বৰ দোষত আজি আমাৰ হাতত ধন নাই। অসমত তেল কয়লা আছে। চাহৰ পৰাই বছৰেকত আজি চাৰিশ কোটিতকৈ ততোধিক টকা অসমৰ বাহিৰলৈ ওলাই যায়। হাড়ক মাটি কৰি তেজক পানী কৰি উত্পাদন কৰিছে অসমীয়াই এই উতপাদন অসমে ভোগ কৰিবলৈ বা খাবলৈ পোৱা নাই। ভাৰত চৰকাৰে অসম চৰকাৰক সেই ভোগ দিয়া নাই। অসম চৰকাৰে সেই ভোগ আনিব পৰা নাই আজি অসমখন স্বাধীন অসম হোৱা হলে অসমৰ বাজেটখন এনেকুৱা হলহেতেন নে ? এই সম্পদ অসমে ভোগ কৰিবলৈ নোপোৱাকৈ অন্য এখন ৰাজ্যক দান হিচাপে দি নিজে লাউ টোকোনা ঘৰত নিশ্চয় সোমাই নাথাকিল-হেতেন। এই বক্তৃতা দি মই অসমক ভাৰতৰ পৰা কাটি অহাৰ কাৰণে উৎসাহ যোগোৱা নাই। বৰঞ্চ এই উৎসাহৰ বিৰোধিতা কৰিম বা তেনে এটা আন্দোলনৰ বিৰোধিতা কৰিম। লগতে এইষাৰ কথাও কম যে অসমত থকা সম্পদৰ ভোগৰ পৰা বঞ্চিত কৰিবৰ কেন্দ্ৰীয় চৰকাৰৰ অধিকাৰ নাই। অসম চৰকাৰে সো-শৰীৰে কাৰোবাক দি দিয়াৰো অধিকাৰ নাই। অসমত উৎপাদিত হোৱা বস্তুৰ পৰা অসমৰ স্কুল অসমত শিক্ষা চিকিৎসা চলাব পাৰে তাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। তেতিয়া অসমত ধনৰ নাটনি নহব। অসমৰ মানুহক শিক্ষিত কৰিবৰ কাৰণে সুশিক্ষা দিব লাগিব। ভাল স্কুলত দিব লাগিব, সুখাদ্য দিব লাগিব। চৰকাৰৰ তেনে কিবা আচনি আছে জানো ? আজি অসমৰ ৰাইজে ভেনচাৰ স্কুল, চাবচিদাইজষ্ঠ ডিচপেনচাৰী পাতিছে। ডাক্তৰ নাই, ঔষধ নাই, চিকিসা নাই এনে অৱস্থাও দেখিছো এখন স্কুলত তুপৰীয়া লৰা এজনৰ জ্বৰ উঠিলে শিক্ষকে লৰাটোক ফটা থৈলাৰে ধাকি থৈ আন লৰা ছোৱালী খিনিক পঢ়াই আছে। তেনে অৱস্থাত ব্যৱস্থাৰ কোনো উপায় নাই। এনেকৈ স্কুলতে যেতিয়া লৰাজনৰ জ্বৰ হয় চিকিৎচাৰ কাৰণে ঔষধ ক'ত পাব, পৰামৰ্শ কোনে দিব, কাক পঠাব ? আৰু কোনে ঔষধ দিব ?? আজিৰ ব্যৱস্থা থকাৰ দৰকাৰ। স্বাধীনতাৰ পিচত একেবাৰে একো উন্নতি হোৱা নাই বুলি কোৱা নাই পাহাৰ অঞ্চলত প্ৰাইমাৰী শিক্ষাত ছাত্ৰক পইচা দিয়াৰ নিয়মো আছে। তেনে লৰা-ছোৱালী স্কুললৈ যাব নোৱাৰিলে বাপেক বা অভিভাৱক গৈ স্কুলত বহি থাকে। পইচা পাব। সেই অৱস্থা আমাৰ অসমৰ পাহৰীয়া জিলাত আছে। আমাৰ ভৈয়ামৰ অন্যান্য অঞ্চলত এটা সময়ত স্কুললৈ নপঠিয়ালে জৰিমনা দিব লগা হৈছিল আৰু মোকৰ্দমা ৰুজু কৰিবলগীয়া হৈছিল এটেনডেন্স অফিচাৰৰ

জৰিয়তে। আজি সেই অৱস্থাৰ পৰিবৰ্তন হৈছে। ৰাইজে শিক্ষা লবলৈ আগ-বাঢ়ি আহিছে। এই সময়ত অন্য শিক্ষা বাদ দিলেও প্ৰাইমাৰী শিক্ষা বাদ দিব নোৱাৰি। এই শিক্ষাত ধন নাই বুলি মন দিয়া নাই। চৰকাৰৰ এতিয়া হাড় নাই, মঙহ নাই, তেজ নাই, পানী নাই, লেটা কুন্দি গৈছে। পলুৱে নিজে নিজে মুখৰ পৰা সূতা উলিয়াই মাজত সোমাই পৰে ওলাব নোৱাৰে তাকে লেটা কুণ্ডা বোলে। যেতিয়ালৈকে পখিলা নহয় ওলাব নোৱাৰে।

আমাৰ চৰকাৰবো লেটা কুণ্ডিছে। নিজে বান্ধ খাই গৈছে। কোনো ৰকম মুকলি হব নোৱাৰে। কোনজনী পখিলা জগে কেনেকৈ উৰে সেই দিনটোলৈ বাট চাব লগা হৈছে। আমাৰ প্ৰাইমাৰী শিক্ষা ভাল কৰিবৰ কাৰণে গৱেষক-সকলে, শিক্ষাবিদ সকলে অলপ চিন্তা কৰক। শিক্ষাৰ বিষয় পুনৰ গৱেষণা কৰক ভাৰতীয় শিক্ষাবিদেৰে। ওৱাচিংটন, মস্কো, পিকিং, ইংল্যাণ্ড, আয়াৰলেণ্ড আদিৰ শিক্ষাবিদৰ আৱশ্যক নাই। বিদেশী শিক্ষাবিদেৰে গঠিত কোঠাৰী কমিচনৰ দৰে, ৰাধাকৃষ্ণন কমিচনৰ দৰে কমিচনৰ কথা বাদ দি আমাৰ শিক্ষা প্ৰণালী কেনে হব তাক ভাৰতীয় মানুহৰ দ্বাৰা কৰিব পাৰে। মহাভাৰতৰ যুগত অৰ্জুনে ধনুত এপাত শৰ লগাই মাৰি দিলে সহস্ৰ পাট হৈ কামত লাগিছিল। সেই বিজ্ঞান ভাৰততে আছে। সেই বিজ্ঞানৰ ওপৰত ভিত্তি কৰিয়েই এটোম বোম, হাইড্ৰোজেন বোম হৈছে। ভাৰতৰ সভ্যতা পুৰণিও নহয় নতুনও নহয়। পৃথিৱীৰ অন্যান্য দেশ সমূহে যেতিয়া সভ্যতাৰ মুখ দেখা নাছিল তেতিয়া ভাৰতত বিজ্ঞানৰ চৰ্চা হৈছিল। বিদেশী ভাল বস্তু লবলৈ মই বিৰোধীতা নকৰো কিন্তু বিদেশী আহিত ভাৰতক উদ্ধাৰ কৰিব পাৰিব সেইটো কিমান দূৰ সম্ভৱ। ভাৰতৰ দাৰ্শনিক পণ্ডিতসকলে ভাৰতৰ শিক্ষা পদ্ধতি তৈয়াৰ কৰিব লাগিব।

মই এজন ছ'চিয়েলিষ্ট পাৰ্টিৰ সদস্য হিচাবে প্ৰাইমেৰী ক্ষেত্ৰত লোক ভাষাৰে শিক্ষা জ্ঞান দিব লাগে বুলি কওঁ। যোৱা বছৰ বড়ো ভাষা লিপি আন্দোলন হৈ থকা সময়ত মই বিধান সভাৰ মজিয়াত কৈছিলো যে, ভাৰতৰ সকলো বিলাক স্বীকৃত ভাষাৰ পৰা একো একোটাকৈ আখৰ বাচি আনি গোটাই এটা লিপি কৰক আৰু সেই লিপিয়েই ভাৰতীয় লিপি হব। সেই ধৰণে আমাৰ মানুহে এক ভাৰতীয় হিচাবে পঢ়া-শুনা কৰিব পাৰে। সিদিন অলপতে আচাৰ্য্য বিনোৱাভাৱে পুনাৰ আশ্ৰমত দেৱনাগৰিক ভাৰতীয় লিপি লবৰ কাৰণে আহ্বান জনাইছে। মই হিন্দী লিপি লোৱাত বিৰোধীতা নকৰো কিন্তু মই নিজে উপলব্ধি কৰো যে, ভাষাৰ ভিত্তিত ৰাজ্য বিলাক গঠন হোৱা

দেশত প্ৰত্যেক ৰাজ্যৰ নিজৰ ভাষাৰ প্ৰতি পূৰ্ণ হেপাহ আছে। কেৱল এটা ভাষাৰে লিপিকেই এটা ভাৰতীয় লিপি কৰিলে অন্য স্বীকৃত ভাষাবিলাকে নিজৰ অস্তিত্ব হেৰুৱাব বুলি ভয় কৰে। মই কৈছিলো প্ৰত্যেক ভাষাৰ অৰ্থাত স্বীকৃত ২০ টা ভাষাৰ দুই এটা আখৰ আনি এটা ভাৰতীয় আখৰ কৰক। মই নিজে বৰ লিখা পঢ়া নজনা মানুহ। তথাপিতো মোৰ উপলব্ধিৰ পৰা কৈছো বঙালী, পাঞ্জাবী, তামিল টেলেগু, কানাড়ী, অসমীয়া আদি প্ৰত্যেকেই নিজৰ ভাষাত বুৎপত্তি অৰ্জন কৰিব পাৰিছে। মিজোৰামক বাদ দিলে, কেৰেলাতেই শিক্ষিতৰ হাড় বেচি।

মিজোৰামক বাদ দি বোধহয় কেৰেলা প্ৰদেশতে শিক্ষাৰ হাৰ বেছি। মই নিজে কেৰেলালৈ গৈ দেখিছো তেওঁলোকৰ মানুহ নিজৰ ভাষাটোতহে আচলতে শিক্ষিত। আমাৰ এটা ষ্টাদি টীম তালৈ গৈছিলো। সেই টিমত ভালে কেইজন উচ্চ শিক্ষিত লোক আছিল, ডক্টৰেট, এম, এ, এল, এল বি, এ আদি। আমাৰ দুই এজনৰ বাদে প্ৰায়েই উচ্চ শিক্ষিত লোক আছিল। কিন্তু অসমৰ পৰা গৈ পিচত কি দুৰ্গতি হল। কোনো কোনো ঠাইত অনেক মানুহে হিন্দী, অসমীয়া, ইংৰাজী একো ভাষাই নুবুজে। ভাত খাওঁতে পানী লাগে কিন্তু বুজাব কেনেকৈ? এয়ে ওৱাটাৰ-ওৱাটাৰ; কাপোৰৰ দাম সোধোতে মাত্ৰ প্ৰাইচ প্ৰাইচ কৰ লগা হৈছিল। সেই কাৰণে মই ভাবিছোঁ আখৰটো অন্ততঃ দেশখনত একেবিধ হলে ভাষা বহুত হলেও অন্ততঃ সকলো ভাষাৰে আখৰ কেইটা পঢ়িব পাৰিব আৰু মানুহে ভাষাৰ জ্ঞান আয়ত্ব কি কৰিব পাৰিব। ভাৰতবৰ্ষত নতুন এটা জ্ঞানৰ সঞ্চাৰ হব। আকৌ জনসাধাৰণে নতুন ভাৱে শিক্ষিত হৈ জ্ঞানী হৈ দেশখনত এটা মহাসংস্কৃতি প্ৰতিষ্ঠা কৰাত শিক্ষাই অৰিহনা যোগাব। এই শিক্ষাৰ অৰিহনা যোগোৱাৰ ক্ষেত্ৰত প্ৰথম কঠিয়াতলি হল প্ৰাথমিক শিক্ষা। অসমত তৃতীয় চতুৰ্থ শ্ৰেণীত বা পঞ্চম ষষ্ঠত পঢ়া ল'ৰাই অসমীয়া বেলেগে শিকিব লাগে হিন্দী বেলেগে শিকিব লাগে, ইংৰাজী বেলেগে শিকিব লাগে আৰু নিজাকৈ ঘৰুৱা ভাষাও কোনো কোনো লোকে বেলেগে শিকিব লাগে। এইদৰে বহুতো ভাষাৰ মাজত বা শিক্ষাৰ মাজত অসমীয়া সমাজখন আজি শিক্ষাত পঙ্গু হৈ গৈছে। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশৰ বাইজ আজি শিক্ষাত পঙ্গু হৈ যাব। সেই কাৰণে ভাৰতবৰ্ষত শিক্ষাৰ এটা অন্তৰায় হৈছে বেলেগে বেলেগে ভাষা শিকা, জ্ঞান শিকা আৰু আখৰ শিকা। এইদৰে বেলেগে বেলেগে শিকিবলৈ যাওঁতে ভাৰতৰ মানুহ বিশেষকৈ অসমৰ মানুহৰ শিক্ষা অৰ্জনত পিচ পৰি গৈছে। সেইকাৰণে আমি অসমত এটা নিদৰ্শন দেখি সুখী হৈছো বড়ো ভাই সকলৰ। বড়োভাই সকলক মই স্বাগতম জনাও তেখেতসকলে বড়ো ভাষাৰ লিপিৰ কাৰণে আন্দোলন কৰিছিল। কেন্দ্ৰীয়

চৰকাৰৰ হস্তক্ষেপত তেওঁলোকে হিন্দী আখৰ লৈছে। হিন্দী লিপি ভাৰতবৰ্ষৰ অন্যান্য মানুহেও লওক মোৰ আপত্তি নাই মই আগতেও কৈছো আৰু এতিয়াও কৈছোঁ যদি এটা বিশেষ ভাষাৰ আখৰ মানুহে শিকিব লাগে বুলি ধৰা হয় তেতিয়া হলে সকলো একমত নহবও পাৰে। অৱশ্যে মানি ললে ভাল। সকলোৰে সমাধানৰ পথ হিচাবেহে মই সকলো ভাষাৰে এটা দুটাকৈ আখৰ আনি এটা ভাৰতীয় আখৰ কৰিবলৈ কৈছো। আখৰ এটা কৰি লওক তেতিয়া কণ্ঠস্বৰ একে হব। আখৰৰ সৃষ্টি মানুহেহে কৰিছে ভগৱানে কোনো বেদ বাক্য কৰি যোৱা নাই। আখৰ মানুহে সৃষ্টি কৰিছে যেতিয়া এতিয়া এক ভাৰতীয় আখৰ এবিধ কৰিও সৃষ্টি কৰিব পাৰিব। আখৰৰ আকৃতিটোৰ কোনো ভাষা নাই। আখৰৰ আকৃতি যেনেই হওক ধৰক হিন্দীৰ 'ক' আখৰটো আৰু অসমীয়াৰ 'ক' আখৰ মিলাই যদি একে কৰা যায় অসুবিধাটো কি হব? পূব ভাৰতৰ গোটেই অঞ্চলতে—অসম, বেঙ্গল, ত্ৰিপুৰা, মনিপুৰ আৰু অৰুনাচলত আচলতে একেটা আখৰেই চলে। ভাষা আন্দোলনৰ নামত 'ৰ' ৰ তলত ফোট এটা দি কেতিয়াবা মাৰ খাব লাগে আৰু কেতিয়াবা 'ৰ' ৰ পেটতো কাটি মাৰ খাব লাগে। সমস্যাটো এয়ে। মই ভাবো এক আখৰৰ মাজেদিয়েই ভাৰতবৰ্ষত সকলো ৰাজ্যৰ মাজত সংহতি আনিব পাৰি। ভাষাজ্ঞান অৰ্জন কৰিব পাৰে, এনে ব্যৱস্থা এটা লোৱা হলে দেশখনৰ প্ৰতি ই এটা ডাঙৰ অৱদান হব। এই অৱস্থাৰ কাৰণে নেতৃত্ব দিব পাৰে অসম চৰকাৰে নহয় কেন্দ্ৰীয় চৰকাৰেহে। এই কাৰণে যাতে কেন্দ্ৰীয় চৰকাৰক অসম চৰকাৰে চুপাৰিশ কৰে তাৰ বাবে মই আহ্বান জনাইছোঁ। আজি বৰ্তমান ক্ষণত অসমত ১৯ হাজাৰ প্ৰাইমেৰী স্কুল আছে আৰু ৪৫ নে ৪০ হাজাৰ শিক্ষক আছে। এই সকলক পৰিচালনা কৰিবৰ কাৰণে কাৰ্য্যালয় বিলাক আছে। সেই কাৰ্য্যালয়ৰ শাসন আৰু অনুশাসনৰ ওপৰতো আমাৰ আলোচনা কৰিব লগা আছে। একো একোটা মহকুমাত কেচাৰীৰ আৰু চৰকাৰী কৰ্মচাৰী সকলক বাদ দিলে যি সকল চৰকাৰী বিষয়া হব সেই সকল হল প্ৰাইমেৰী স্কুলৰ শিক্ষক। আৰু একোটা মহকুমাত ৰৰ্তমান সময়ত ১½ কি ২ হাজাৰকৈ প্ৰাইমেৰী শিক্ষক আছে। এই কৰ্মচাৰী সকলক মহকুমা পৰ্য্যায়ত এটা চেকিং কৰাৰ আৱশ্যকতা নিশ্চয় আছে। কেৱল ডি পি আই আৰু জইণ্ট ডি পি আই অফিচৰ পৰা এই সকলৰ অভাৱ অভিযোগৰ বিষয়ে বিচাৰ কৰা এটা দুৰূহ ব্যৱস্থা। এইটোৰ উপৰিও যাতে মহকুমা পৰ্য্যায়ত যাতে এটা পৰিচালনা কৰা হয় তাৰ কিবা এটা চৰকাৰে ব্যৱস্থা ৰাখক। কলেজ, চেকেণ্ডাৰী স্কুল আৰু প্ৰাইমেৰী এই তিনিওটা শিক্ষাত তিনিটা বেলেগ ডাইৰেক্টৰেট হব লাগে। এজন ডাইৰেক্টৰৰ তলতে কলেজ, মাধ্যমিক আৰু

প্ৰাথমিক শিক্ষাৰ পৰিচালনাৰ ভাৰ থকাৰ কাৰণে শিক্ষাত অন্তৰায় হৈছে বুলি মই ভাবোঁ। প্ৰাইমেৰী শিক্ষাৰ কাৰণে বেলেগ ডাইৰেক্টৰেট হব লাগে যাতে প্ৰাইমেৰী শিক্ষাৰ ওপৰত কোনো হেচা নপৰে, নিজে চলাবও পাৰে। প্ৰাথমিক শিক্ষা ব্যৱস্থাটো চৰকাৰীকৰণ কৰাৰ ফলত কিমান উপকাৰ হল কব নোৱাৰো। কেতিয়াবা কেতিয়াবা ভাবো যে চৰকাৰীকৰণ নোহোৱাই ভাল আছিল। অৱশ্যে চৰকাৰীকৰনৰ যেতিয়া বিল আহিছিল তেতিয়া মই বিৰোধিতা কৰা নাছিলোঁ। এই বিলখনত মযো সমৰ্থন দিছিলো আৰু বহুতে দিছিল। কিন্তু আজি ভাৱিছো প্ৰাইমেৰী শিক্ষা ব্যৱস্থাটো ৰাজনীতিৰ পৰা একেবাৰে আতৰাই দিব পাৰি নেকি? চৰকাৰীকৰনৰ পৰা আতৰাই ৰাখিলে শিক্ষাটো বেয়া নহব নেকি? এই কথাটো পুনৰ বিবেচনা কৰিব লগা হৈছে। শিক্ষা কেনে ধৰণৰ হব লাগে, জ্ঞান কেনেকৈ আহৰন কৰিব লাগে কেনেকৈ ইয়াক ৰাজশক্তিৰ প্ৰভুত্বৰ পৰা মুক্ত কৰিব পাৰি এই বিষয়ে বিচাৰ বিবেচনা কৰা আৱশ্যক বুলি মই ভাবোঁ।

বৰ্ত্তমান সময়ত স্কুল বিলাকত শিক্ষা দিয়া হৈছে, মঞ্জুৰীও চৰকাৰৰ ফালৰ পৰা কিছু দিয়া হয়। কিন্তু চৰকাৰে বৰ্ত্তমান যিটো ব্যৱস্থাৰে মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিছে তাতো মাধ্যমিক আৰু প্ৰাথমিক শিক্ষাৰ অনগ্ৰসৰতাৰ কাৰণ উপস্থিত হৈছে। প্ৰাইমাৰী শিক্ষা চৰকাৰীকৰন কৰিলে আৰু বাকী বিলাক মাধ্যমিক শিক্ষাৰ কাৰণে চৰকাৰে স্কুলক স্বীকৃতি দিয়ে। এই স্বীকৃতি দিয়া পদ্ধতিৰে অৰ্থ মঞ্জুৰী আদি দিয়াৰ যি ব্যৱস্থা কৰিছে তাত কেৰোণ আছে।

এই বিষয়ত পিচপৰা অঞ্চলৰ কথা আগবঢ়া অঞ্চলবোৰৰ দৰে একেদৰে ভাবিলে নহব। এনে ঠাইয়ো আছে এসময়ত প্ৰাথমিক স্কুললৈ ল'ৰা-ছোৱালী নপঠোৱাৰ কাৰণে মানুহক জৰিমনা কৰা হৈছিল, আদালতলৈ নিয়া হৈছিল, সেই মানুহ বিলাকৰ মাজত বা তেনে পিচপৰা ঠাইত থকা স্কুল, আৰু যিবিলাক ঠাইৰ মানুহ পূৰ্ব্বৰ পৰাই শিক্ষিত, শিক্ষা লবলৈ ধাউতি আছে সেইবিলাক ঠাই আৰু গাওঁ অঞ্চলৰ এই প্ৰতিষ্ঠান সমূহক একে ধৰণে গ্ৰান্ট দিয়া বা মঞ্জুৰী দিয়াৰ বা চৰকাৰীকৰণ কৰাৰ পদ্ধতি যদি একেই হয় তেনেহলে ভুল হব। ১৯৭০ চনত বা তাৰ আগতে যিবোৰ হাইস্কুলে ৰিকগনিচন পাইছে আৰু যিবোৰ এম, ই স্কুলেও পাইছে সেইবোৰ স্কুলক হয়তো ঘাটি মঞ্জুৰী দিয়াৰ কথা চৰকাৰে কৈছে। যোৱা বছৰ চৰকাৰে ঘোষণা কৰা মতে ১৯৬৮ চনলৈকে যিবিলাক হাইস্কুলে ৰিকগনেচন পাইছিল সেইবিলাকক্যো ঘাটি মঞ্জুৰী দিয়াৰ কথা চৰকাৰে কৈছিল।

১৯৭০ চনৰে পৰা যিবিলাক স্কুল এডহক ভেন্সাৰ হৈ আছিল যিবিলাক হাইস্কুলে ৰিকগনাইজেচন পাইছিল, এম-ই স্কুলে ৰিকগ্‌নিচন পাইছিল সেই ধৰণে চৰকাৰে মঞ্জুৰ দিছে বা দিব। যোৱা বছৰ চৰকাৰে ঘোষণা কৰা মতে ১৯৬৮ চনৰ আগতে যিবিলাক হাইস্কুলে ৰিকগ্‌নিচন পাইছিল সেই বিলাকক ঘাটি মঞ্জুৰী দিয়া হব আৰু ১৯৬৩ চনৰ আগৰ ৰিকগনিচন পোৱা

এম, ই স্কুলকো এই মঞ্জুৰী দিয়াৰ কথা ভবা হৈছিল। কিন্তু তেনে কৰিলে অসমত এচাম স্কুল বা সৰহ সংখ্যক স্কুলেই যে মঞ্জুৰী নেপাব বা চৰকাৰী সাহায্য পোৱাৰ পৰা বঞ্চিত হৈ যাব সেইটো অংক নকলেও হব। মই হাইস্কুলৰ এডহক পোৱাৰ অংকটো আগতে কৈছোৱেই। এম-ই কো প্ৰাথমিক শিক্ষা আৰু এম-ভিকো প্ৰাথমিক শিক্ষাৰ অন্তৰ্ভূক্ত কৰিছে যদিও প্ৰাথমিক শিক্ষাৰ অন্যান্য ব্যৱস্থাত যিমান খিনি মঞ্জুৰী পায় এম-ই ৰ ক্ষেত্ৰত সিমানখিনি মঞ্জুৰী সেই মতে নাপায়। ৰাজ্যখনত এডহক ৰেকাৰিং গ্ৰাণ্ট আৰু নন্ ৰেকাৰিং মেইনটেনেন্স গ্ৰাণ্ট পাই মুঠতে ১২০৫ খন এম-ই স্কুলে আৰু ১১১৭ খন এম-ই স্কুলে এডহক ৰেকাৰিং গ্ৰেণ্ট পায় আৰু ১৬৩ খন এম-ই স্কুলে নন ৰেকাৰিং মেইনটেনেন্স গ্ৰেণ্ট পায়। বৰ্তমান সময়ত যিখিনি এম-ই স্কুল সেই সমান সংখ্যক স্কুলে চৰকাৰৰ মঞ্জুৰী পায় আৰু সমান সংখ্যকে মঞ্জুৰী পোৱা নাই। গতিকে এই কাৰণতেই পোৱা উচিত বিবেচনা কৰো যে প্ৰাইমাৰী শিক্ষক বা মজলীয়া শিক্ষকৰ ক্ষেত্ৰত যিটো ব্যৱধান সেইটো কেতিয়াও থাকিব নালাগে। মই আগতেই কৈছো যে যিবিলাক শিক্ষানুষ্ঠানে মঞ্জুৰী পোৱা নাই অথচ লৰা-ছোৱালীয়ে আন মঞ্জুৰী পোৱা স্কুলৰ সমানে পঢ়ি আছে কিন্তু ৰিকগনাইজ কৰা হোৱা নাই সেইবিলাকক যদি ৰিকগনাইজ কৰা হয় তেতিয়াহলে আচলতে সকলো ঠাইৰে লৰা ছোৱালীয়ে সমানে শিক্ষা পোৱাৰ ব্যৱস্থা হব। সেই কাৰণে মই কৈছো যে আজিৰ তাৰিখত যিবিলাক পিচপৰা ঠাই আছে সেই বিলাকত যিবিলাক স্কুল আছে ১৯৬৮-৬৯-৭০-৭১ এই কথা বিবেচনা নকৰি যদি আৱশ্যকীয় অনুপাতে লৰা-ছোৱালী হৈছে, ঘৰ-দুৱাৰ হৈছে, অৰ্হতাসম্পন্ন শিক্ষক আছে সেই সমূদায় স্কুলকে একে ধৰণৰ মঞ্জুৰী বা গ্ৰাণ্ট দিয়াৰ ব্যৱস্থা কৰি চৰকাৰে লব লাগে। মই আগেয়ে বক্তৃতাত কৈছো যে পিচপৰা বাবে কোনো ঠাইৰে স্কুলৰ উন্নতি হোৱা নাই বুলিয়েই যে স্কুলত মঞ্জুৰী দিব নেলাগিব তাৰ কোনো মানে নাই। গতিকে সেইবিলাক খবৰ লৈ উন্নত পৰ্য্যায়ৰ ঠাইৰ স্কুলৰ সমানে আগুৱাই আনিব লাগিব। আজি অনুসূচীত জাতি বা জনজাতীয় এলেকাত বা পিচপৰা সম্প্ৰদায়ৰ মাজত স্কুলবিলাক সকলো ফালৰ পৰা বঞ্চিত হৈ থকাৰ কাৰণে হৈছে তেওঁবিলাকে স্কুল স্থাপন কৰাৰ কথাও পিচতহে ভাবিব পাৰিছে আৰু সেই মতে ৰাইজে লাগি ভাগি স্কুল স্থাপন কৰিছে যদিও আগবাঢ়িব পৰা নাই। তেনেকৈ বালিচৰত থকা মুছলমান সকলো শিক্ষাত একেবাৰে পিচপৰা। বৰ পলমকৈ ২।১ খন যদিও স্কুল স্থাপন কৰিছে কিন্তু তেওলোক অনুসূচীত জাতি বা জনজাতিৰো ভিতৰত নপৰে গতিকে তেওঁলোকে বঞ্চিত হৈয়ে আছে। তেওঁ-লোকৰ ধৰ্ম মুছলমান গতিকে পিচপৰা জাতিও নহয়। অসমৰ চাহ বাগিছাৰ

বনুৱাৰ মাজতো স্কুলৰ সংখ্যা অতি নগন্য। সেইবিলাক ঠাইত চৰকাৰে চাৰ্জে কৰি স্কুল প্ৰতিস্থা কৰি দিয়াৰ কথা চেষ্টাও কৰা নাই আৰু উপলব্ধিও কৰা নাই। কিন্তু জনসাধাৰণৰ সদিচ্ছাৰ দ্বাৰা উপলব্ধিৰ দ্বাৰা যিটো গঢ় লৈ উঠিছে সেইটো সমাজে বা চৰকাৰে স্বাগত জনোৱা উচিত আৰু মঞ্জুৰী আদিও দিয়া উচিত।

শ্ৰীনগেন বৰুৱা : উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য এগৰাকীয়ে বক্তৃতা দি আছে আৰু আমাৰ কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী দুগৰাকীয়ে কিবা কথা আলোচনা কৰি আছে। তেখেতসকল অন্যমনস্ক হৈ আছে।

শ্ৰীসোনেশ্বৰ বৰা : আমাৰ কথা এটা আছে নহয় নাহিকে শ্ৰদ্ধা নেপাতয় কান, কোনে দিবে তাংক নামৰ দান। এইটোৱেই হৈছে আমাৰ চৰকাৰৰ চিন্তা-ধাৰা। বাঘ চাব নালাগে বোন্দাকে চাবা বোলা কথাষাৰ আছে। এটা গুৰুত্বপূৰ্ণ কথা চৰকাৰে আৰু সমাজে সমানে উপলব্ধি কৰা আৱশ্যক। মই ভাবো যে বৰ্তমান চৰকাৰে চাহ বাগানৰ বনুৱা খিনিক এই পিচপৰা বনুৱা, শিক্ষা-দীক্ষাত পিচপৰা হৈ থাকিবলৈকে দিছে। সেইদৰে চৰৰ মুছলমানক ইচ্ছা কৰিয়েই তেওঁলোকক পিচ পেলাই ৰখা হৈছে। উজনি অসমৰ চাহ বাগানৰ বনুৱা আৰু নামনি অসমৰ ন-অসমীয়া মুছলমান এই দুই বিধৰ মানুহ থকালৈকে চৰকাৰে গৌৰৱ উপলব্ধি কৰে যে তেখেতসকলৰ সান্দহ খোৱা বালি কোনে তিয়াব। অৰ্থাৎ বনুৱা আৰু মুছলমানে কংগ্ৰেছক ভোট দিবই। আমাৰ বিৰোধী দলৰ এই কেইজন সদস্যই মন্ত্ৰী সভা ভাঙিব নোৱাৰে আৰু নোখোজেও। এইটো ঠিক। কিন্তু আজি যিবিলাক মানুহে আপোনালোকক গাদীত বহুৱালে সেই সকল মানুহক উলাই কৰি থকা হৈছে, সেই সকলৰ কাৰনে উপলব্ধি কৰাৰ কাৰণ নাইনে? অসমত সাত শ পঞ্চাশখন চাহ বাগিছা আছে। শিৱসাগৰ আৰু কাচাৰ জিলাৰ প্ৰাইমাৰী স্কুল কেইখন আগতে বোৰ্ডে লৈছিল এতিয়া চৰকাৰে লৈছে। কিন্তু সেই চাহ বাগিছা বিলাকৰ স্কুলৰ মেনেজমেণ্ট আগতে কোম্পানীয়ে কৰিছিল। শিক্ষাৰ ব্যৱস্থা দুইখন জিলাৰে কিয় অসমৰ যিমান চাহ বাগিচাৰ স্কুল আছে চাহ বাগান এলেকাৰ সেই আটাইখিনি স্কুল চৰকাৰে লওক। এইটো কিন্তু ঠিক যে অসমৰ চাহ বাগিচাৰ মালিক সকলৰো লাইচেন্স বাইডিং আছে। টি প্লেনটেচন এক্ট, লেবাৰ এক্ট এইবিলাক আইনৰ দ্বাৰা ল'ৰা-ছোৱালীক শিক্ষা দিয়াৰ দায়িত্ব তেওঁলোকৰ নিজৰ। কিন্তু চৰকাৰে যেতিয়া লব তেতিয়া স্কুল বিলাকৰ কাৰণে খৰচ চাহ বাগিচা বিলাকে দিব লাগিব। চাহবাগানৰ স্কুলত কেইটামান ল'ৰা-ছোৱালী লৈ এবেলা মহৰী আৰু এবেলা মাষ্টৰ হৈ তিলিং তালাং কৈ শিক্ষা দিয়া পদ্ধতিৰ ৰদ হব লাগে। য'ত চৰকাৰে

লৈছে ভাল কৰিছে। কিন্তু সেই বাগান বিলাকৰ পৰা শিক্ষাৰ সংক্ৰান্তত বাগানে যিটো টকা খৰচ কৰিবলগীয়া আছিল সেইটো আনি চৰকাৰে শিক্ষা বিভাগত জমা কৰা নাই কিয় ? সেই বিলাক ধন বাগানৰ মালিকৰ পৰা খাড়া ভাবে টেক্স হিচাবে আনিব লাগে।

উপাধ্যক্ষ মহোদয়, আজি এইটো আমাৰ কৰ্তব্যৰ ভিতৰত পৰিব আৰু এইটোৰ কাৰণে স্বকীয়াকৈ ভাবিব লাগিব। চাহ বাগানৰ ল'ৰা-ছোৱালীয়ে অন্যান্য ঠাইৰ নিচিনাকৈ শিক্ষা পোৱাৰ পৰা বঞ্চিত কৰিব নোৱাৰি। চাহ বাগানৰ ল'ৰা-ছোৱালীক চিৰদিনলৈ অজ্ঞানী হিচাবে ৰাখি ভোটৰ বেলিকা এদিন গৈ "জয় মহাত্মাজীকি জয়" বুলি জয়ধ্বনি দি ভোট সংগ্ৰহ কৰাৰ কোনো অধিকাৰ থাকিব নোৱাৰে। যাতে তেওঁলোক জ্ঞানী হয়, শিক্ষিত হয় তাৰ কাৰণে দাবী জনাইছো। সেই লোকসকলক অজ্ঞানী কৰি ৰখা হৈছে। এইটো মই চৰকাৰৰ ওচৰত অভিযোগ কৰিছো। সেইদৰে ব্ৰহ্মপুত্ৰৰ বালিচৰত বাস কৰা ন-অসমীয়া মুছলমান খিনিক আজি শিক্ষাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। দহ বিশ বছৰে তাত বাস কৰি আছে। কেৱল ভাষাৰ পিয়লৰ সময়ত তেওঁ-লোকক অসমীয়া বুলি কোৱা হয়। অসম সাহিত্য সভাৰ পৰা ধন্যবাদৰ স্বীকৃতি দি তেওঁলোকৰ সংক্ৰান্তত প্ৰস্তাৱ ললেই বা খবৰ কৰিলেই তেওঁলোক জ্ঞানী নহয়। তেওঁলোকক প্ৰকৃততে জ্ঞানী কৰিবলৈ হলে সেই ঠাই বিলাকৰ স্কুলসমূহো চৰকাৰী খৰচেৰে অন্যান্য অ বি-চি বা ট্ৰাইবেল বা পিচপৰা ঠাইৰ দৰে একে ধৰণেৰে সুবিধা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

এই বিধান সভাতে মোৰ এটা প্ৰস্তাৱ আছে অৱশ্যে আহেনে নাহে কব নোৱাৰে যে মাধ্যমিক স্তৰলৈ সকলো লৰা-ছোৱালীকে বিনামূলীয়া শিক্ষা দিব লাগে। এই শিতানৰ কৰ্তন প্ৰস্তাৱ উৎথাপন কৰোতেও মই কেইটামান কথা কৈছিলো। বৰ্তমান অসমত ট্ৰাইবেল মানুহে সংবিধানৰ ষষ্ঠ অনুসূচীমতে বিনা-মূলীয়া শিক্ষা পায়। সংবিধানৰ পঞ্চম অনুসূচী অসমত প্ৰয়োগ থকা হলে ভৈয়ামৰ জনজাতীয় লোকসকলৰ কাৰণে নিশ্চয় ব্যৱস্থা থাকিলহেতেন। আৰু লগতে কিতাপ-পত্ৰ জা-জলপান সকলোৰে ব্যৱস্থা পালেহেতেন। অসমত কিন্তু পঞ্চম অনুসূচীৰ পৰিবৰ্তে ট্ৰাইবেল বেল্ট ব্লকৰ ব্যৱস্থা কৰিলে। যিনহওঁক আজি যিকোনো স্বীকৃতি প্ৰাপ্ত স্কুলত পঢ়িলেই ট্ৰাইবেলৰ ল'ৰা-ছোৱালী সকলে বৃত্তিৰ সুবিধা পায়। অৱশ্যে গাওঁত কৰবাত সৰু সৰু নতুন নতুন এম-ই বা প্ৰাথমিক স্কুলত সেই সুবিধা পোৱা নাই। আজিৰ ছাত্ৰ-ছাত্ৰী সমাজত এই ডেমে-হোৱা সকলৰ মাজত বিভাজন কৰা হৈছে শিক্ষাৰ নামত। ১৭, ১৮ বছৰ

বয়সতে ল'ৰা-ছোৱালী সকলৰ বেছি উত্তেজিত বয়স। আৰু এইখিনি সময়তে ল'ৰা-ছোৱালীৰ মাজত বিভাজন অনা হৈছে। আজি ট্ৰাইবেলৰ ল'ৰা-ছোৱালী, চিডুলৰ ল'ৰা-ছোৱালী ৰাজনৈতিক নিৰ্য্যাতিত হোৱা সকলৰ ল'ৰা-ছোৱালী, অ, বি, চি, ৰ ল'ৰা-ছোৱালীয়ে যদি বৃত্তি পায় তেনেহলে অসমৰ মানুহ কিমান? অসমৰ জনসংখ্যাৰ অনুপাত হৈছে এক কোটি ৬ লাখ চাৰি হাজাৰ ৬১২ জন হিন্দু, শতকৰা হিচাবত ৭২.৫১ ভাগ হিন্দু। ৩৫ লাখ ৯২ হাজাৰ ১২৪ জন মুছলমান অৰ্থাৎ ২৪.৫৬ ভাগ। ৩ লাখ ৮১ হাজাৰ ২০ জন খৃষ্টিয়ান। অৰ্থাৎ শতকৰা ২.৬১ ভাগ। শিখ হৈছে ১১ হাজাৰ ৯২০ জন অৰ্থাৎ শতকৰা হিচাপত .২৮ ভাগ। বৌদ্ধ হৈছে ২ হাজাৰ ২৫৫ জন আৰু শতকৰা হিচাপত .১৫ ভাগ। জৈন ১২ হাজাৰ ৯১৪ জন শতকৰা হিচাপত .০৯। অনান্য এজন। আৰু গোটেই জনসংখ্যা হৈছে ১ কোটি ৪৬ লাখ ২৫ হাজাৰ ১৫২ জন ১৯৭১ চনৰ পিয়ল মতে। এই পিয়ল হিচাবে যদি অংক কৰি চোৱা যায় তেনেহলে শতকৰা ৯০ ভাগ মানুহেই ট্ৰাইবেল, চিডুল, অ-বি-চি ইত্যাদি। বাকী থাকিল ১০ ভাগ। তাৰো আকৌ ৰাজনৈতিক নিৰ্য্যাতিত লোকৰ ল'ৰা-ছোৱালী, চৰকাৰী কৰ্ম্মচাৰীৰ ল'ৰা-ছোৱালী কোনোবা মাহী, মামা বা মাকক গাৰ্জেন দেখুৱাই নিজৰ আয় চুৰ কৰা ঘৰৰ ল'ৰা-ছোৱালীয়ে বৃত্তি পায়। বাকী মাত্ৰ ৬-৭ জন ল'ৰা-ছোৱালীয়ে মাছুল দিব লাগে। গতিকে কিনো অপকাৰ হব বুজা নাযায় বাকী কেইজনক মাধ্যমিক স্তৰলৈ শিক্ষা বিনামূলীয়া কৰি দিলে। ইয়াৰ পৰা শিক্ষাৰো অপকাৰ নহয় আৰু ছাত্ৰ-ছাত্ৰীৰো সুবিধা হয়। আচলতে আজি আমাৰ দেশত মাধ্যমিক শিক্ষা বা হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষা পৰ্য্যন্ত প্ৰাইমেৰী শিক্ষা হিচাবেহে গণ্য হোৱা উচিত। এই পৰীক্ষা পাচ নকৰিলে আজি এজন ল'ৰাই এখন হাঁহ-কুকুৰাৰ ফাৰ্ম এখনৰ কাৰণেও ঋণ নাপায়। তেওঁলোকক শিক্ষিত নিবনুৱা বুলি নধৰে। তেওঁলোকে মটৰ-গাড়ী, অটোৰিক্সা খনৰো লাইচেঞ্চ নাপায়। একেখন ভাৰতবৰ্ষতে আজি মনিপুৰত কাশ্মীৰত এম, এ পৰ্য্যন্ত ল'ৰা-ছোৱালীৰ মাছুল লোৱা নহয়। গতিকে এইখিনি কথা বিধান সভাত নকলে ৰাইজৰ অন্যায় কৰা হব।

উপাধ্যক্ষ মহোদয়, এইখিনি কথা আগত ৰাখি পক্ষ বিপক্ষৰ কথা নেভাবি শিক্ষাক ৰাজনীতিৰ পৰা পৰিত্ৰান কৰিব লাগিব। গতিকে মাননীয় সদস্য সকলে (চৰকাৰ পক্ষ আৰু বিৰোধী পক্ষই) এই গভীৰতম বিষয়টো আলোচনাৰ কাৰণে আগবঢ়াই আৰু আলোচনাৰ অন্তত অসম চৰকাৰে এই বিষয়ে এটা সিদ্ধান্ত লৈ অসমৰ সৰ্বসাধাৰণ ৰাইজৰ শিক্ষাৰ উন্নতি কৰিব বুলি আশা কৰি মোৰ বক্তৃতাৰ সামৰনি মাৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী: মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই শিক্ষা সম্পৰ্কে যি প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱ সমৰ্থন কৰি চৰকাৰৰ শিক্ষা পদ্ধতিত যি লেহেম গতি পৰিলক্ষিত হৈছে সেই গতিলৈ লক্ষ্য ৰাখি লৌকিকতাৰ আভাষেৰে কেইটামান যুক্তি সদনত দাঙি ধৰিব খুজিছো। চৰকাৰে যাতে এই লেহেম গতি আতৰাই অন্ততঃ ল'ৰা-ছোৱালীৰ মুখলৈ চাই লৌকিকতাৰ মুখা আতৰাই যাতে শিক্ষাৰ বাট মুকলি কৰি দিয়ে তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো।

উপাধ্যক্ষ মহোদয়, শিক্ষা নহলে মানুহ কেতিয়াও মানুহ হব নোৱাৰে গছ গছনি হৈয়ে থাকিব।

Mr. Deputy Speaker : The House is adjourned till 2-30 P.M.

(After lunch)

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী: মই ইয়াৰ আগতে কৈ আছিলো যে, শিক্ষা এনেকুৱা এটা বস্তু যিটোৰ অবিহনে মানুহৰ বা সমাজৰ যিটো পৰিবৰ্তন হব লাগে সেই পৰিবৰ্তন হব নোৱাৰে। গছ-গছনি বিলাকৰ কাৰণে কোনো শিক্ষাৰ দৰ্কাৰ নাই। ইয়াৰ বাহিৰেও সৃষ্টিৰ যিবিলাক প্ৰাণী আছে সেই বিলাকৰ কাৰণে শিক্ষা-দীক্ষাৰ কোনো প্ৰয়োজন নকৰে। জন্মৰ পৰা মৃত্যুলৈকে কোনো শিক্ষাৰ প্ৰয়োজন নহয়। জন্তু-জানোৱাৰ সেই সকলো বিলাকক প্ৰকৃতিয়ে শিকায়। সেই মতেই সেই বিলাকে নিজৰ নিজৰ সমাজ লয় আৰু সৃষ্টিৰ পাতনিৰে পৰা সেই বিলাক তেনেকৈয়ে চলি আছে। কিন্তু কেৱল মানুহহে ইয়াৰ ব্যতিক্ৰম। মানুহক যি শিক্ষা দিব নোৱাৰি তেতিয়াহলে, মানুহ আৰু মানুহ হৈ নেথাকে। গতিকেই মানুহক শিক্ষা দিব লাগিব। কিন্তু এই শিক্ষা এনেকুৱা ধৰণে দিব লাগিব যি শিক্ষাৰ দ্বাৰা ব্যক্তি, সমাজ তথা এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰিব। সেই শিক্ষাৰ ওপৰতেই জীয়াই থাকিব লাগিব। বৈজ্ঞানিক যুগত ইমান বিলাক আৱিষ্কাৰ হোৱাৰ দিনত যদি উপযুক্ত শিক্ষা দিব নোৱাৰি তেতিয়াহলে, ব্যক্তি বিশেষেই নহয় গোটেই সমাজ-জাতি তথা দেশখনেই পিচ পৰি থাকিব যাৰ ফলত অন্যান্য শক্তিশালী জাতি বা দেশ বিলাকৰ অক্টোপাচী কবলৰ পৰা মুক্ত কৰিব পৰা নেযাব। এইবিলাক সৰু সৰু কথাৰ ওপৰতেই আন্তৰ্জাতিক কথা বিলাকো নিৰ্ভৰ কৰিছে। গতিকে লৌকিক যিটো গতিত আমাৰ শিক্ষাদান হৈছে সেই শিক্ষাৰ দ্বাৰা কেইজনমান লোকৰহে পথ সুগম কৰি তোলা হৈছে আৰু যদি শিক্ষাৰ ক্ষেত্ৰত এইটোৱেই হৈ থাকে তেতিয়াহলে, তাৰ দ্বাৰা বৃথা

চেষ্টাহে হব আৰু তাৰ পৰিণতিও ভীষণ ভয়াবহ হব। গতিকে শিক্ষাৰ ক্ষেত্ৰত আলোচনা কৰিবলৈ গলে এইটো কথা মনত ৰখা উচিত হব যে বৰ্তমান অৱস্থাৰ পৰিপ্ৰেক্ষিতত অন্ততঃ বেছি নহলেও প্ৰাইমেৰী পৰ্য্যায়ৰ পৰা আৰম্ভ কৰি মাধ্যমিক পৰ্য্যায়লৈকে শিক্ষা পোৱাৰ ব্যৱস্থা হব লাগে। জনসংখ্যা অনুপাতে, ল'ৰা-ছোৱালী অনুপাতে কিমান কোন পৰ্য্যায়ৰ স্কুলৰ প্ৰয়োজন হব বা কেনেকৈ শিক্ষা দিলে ভাল হব সেইবিলাক কথা চাই চিন্তি তাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ৰাজ্যৰ জনসংখ্যা অনুপাতে প্ৰাইমেৰী স্কুলৰ সংখ্যা একেবাৰেই কম। প্ৰায় ৭০০ জনসংখ্যাৰ ওপৰত মাত্ৰ একোখনহে এল, পি স্কুল আছে। ৭০০ মানুহৰ ভিতৰত হয়তো মাত্ৰ ১৫০ টাহে পৰিয়াল হব। জনসংখ্যা তথা ল'ৰা-ছোৱালী অনুপাতে স্কুল কিমান হব লাগে বা শিক্ষাৰ কেনেকুৱা ব্যৱস্থা হব লাগে তাৰ এটা অংক উলিয়াব লাগে। কোনো কোনো মানুহৰ ৪০।৪৫ জনলৈকে ল'ৰা-ছোৱালী আছে। মোৰ সমষ্টিতে এজন মানুহৰ ২৪ টা ল'ৰা-ছোৱালী আছে।

(ভইচ্ : মানুহ জন মৰিলনে জীয়াই আছে?)

জীয়ায়েই আছে। যেতিয়া ল'ৰা-ছোৱালী বিলাক ঘৰত সোমাব লগীয়া হয় সেই সময়ত মাক-বাপেকৰ অলপ কষ্টই হয় কোনটো ল'ৰা-ছোৱালী আহিল আৰু কোনটো নাই এইলৈ। পৰিয়ালত সকলো বিলাকৰেইটো ল'ৰা-ছোঁৱালী হয়। কৰবাত লাখৰ মাজত এজনৰহে নহয় কিজানি। গতিকেই এই বিলাক হিচাব কৰি চালেও ল'ৰা-ছোৱালীক অন্ততঃ মাধ্যমিক পৰ্য্যায়লৈকে শিক্ষা দিয়াটো এটা 'প্ৰাইমেৰী নিদ'। মাক-বাপেক হৈ যদি নিজৰ দায়িত্ব পালন কৰি নিজৰ ল'ৰা-ছোৱালীৰ হাতত প্ৰাইমেৰী শিক্ষাৰ কিতাপ এখনকে দিব নোৱাৰে তেনে-হলে কেনেকৈ হব? কিন্তু যি দেখা যায় কেন্দ্ৰীয় চৰকাৰে লেহেম গতিতেই এইবিলাক কাম কৰি আছে। স্কুল আদি পতাৰ ক্ষেত্ৰত কিছু ক্ষেত্ৰত লৌকি-কতাৰ ওপৰত নিৰ্ভৰ কৰিছে। কিবা এটা বিশেষ পৰিস্থিতিৰ সুবিধা লৈও স্কুল আদি পতা দেখা যায়। স্কুলৰ ক্ষেত্ৰত 'এলটমেণ্ট' হিছাবত স্কুল হব নেলাগে। গোটেই অসমত প্ৰায় দুই হেজাৰ মানহে এল, পি, স্কুল আছে। কোকৰাঝাৰ মহকুমাত ৭৭ খন এল, পি স্কুল ভেন্সাৰ হৈ আছে। গতিকে সেই হিচাবত গোটেই অসমত ২৩ টা মহকুমাৰ ভিতৰত কিমানখন স্কুল ভেন্সাৰ হৈ আছে সেইটো সহজেই অনুমেয়। এছ, আই-এ ৰিপৰ্ট দাখিল কৰিছে। মোৰ সমষ্টিত ১১ খন এল, পি স্কুল এতিয়াও হোৱা নাই। ধুবুৰীত ৬৬ খন মান হব। 'এভাৰেজ' ৬০।৭০।৮০ খন মান প্ৰত্যেক মহকুমাতেই হবলৈ বাকী আছে।

আজি যিবিলাক এল, পি স্কুল গঢ়ি উঠিছে সেই বিলাক চৰকাৰৰ আগ্ৰহত গঢ়ি উঠা নাই। সেই বিলাক গঢ়ি উঠিছে ৰাইজৰ আগ্ৰহত। ৰাইজে আগ্ৰহ কৰি স্কুলৰ কাৰণে মাটি-বাৰী দিছে ঘৰ দুৱাৰ সাজি দিছে শিক্ষকক দৰমহা দি স্কুল প্ৰতিস্থা কৰিছে। এইদৰে ৰাইজে এক বছৰ চেক্ৰিফাইচ কৰি স্কুল চলাই থকাই নহয় ৭ বছৰ ১০ বছৰ পৰ্য্যন্ত স্কুল চলাই আছে তাৰ পিচতহে চৰকাৰে মঞ্জুৰী দিছে। তাকো ইমান সোনকালে সহজে দিয়া নাই। 'চাম বাৰু' আদি কৈ কিমান দিন পিচুৱাই ৰাখিছে তাৰ অন্ত নাই। বহুত বিলাক আবেদন নিবেদন স্মাৰক পত্ৰৰ পিচত ১০ বছৰ মানৰ পিচত স্কুলক মঞ্জুৰী দিছে। চৰকাৰৰ এই লেহেম গতিৰ কাৰণেই আজি লাখ লাখ ল'ৰা-ছোৱালী অন্ধকাৰ কোপত পৰি আছে। তাৰ কাৰণেই আজি আমাৰ মানুহে লিখিব পঢ়িব নজনা অৱস্থা। অন্য ভাষাতটো লিখিব পঢ়িব নাজানেই আনকি মাতৃ ভাষাতো লিখিব পঢ়িব নাজানে। ইয়াৰ কাৰণে মই চৰকাৰকে অপৰাধী কৰিছো। আমি এই বিলাক কথা জনতাৰ প্ৰতিনিধি হিচাবে ইয়াত কবই লাগিব। আৰু এই বিলাক কথা ইয়াত আলোচনা বিলোচনা কৰিয়েই সিদ্ধান্ত লব লাগিব। কিন্তু আমি কৰিছো কি? সাধাৰণ মানুহৰ বেলিকা আমি যিখিনি দিব লাগে সেই খিনি আমি দিব পৰা নাই। আনকি মানুহক সাধাৰণ এল, পি স্কুলৰ শিক্ষা দিয়াৰ কাৰণে যিখিনি সা-সুবিধা দিব লাগে সেই খিনিও আমি দিব পৰা নাই। আমি সেই মানুহ খিনিক নিজৰ প্ৰাপ্যৰ পৰা সদায় বঞ্চিত কৰি আহিছো। এইটো কথা চৰকাৰে নভবাতো অত্যন্ত দুখৰ কথা হৈছে। আজি আমি ভাৰতবৰ্ষই পৃথিৱীৰ মাজত শক্তিশালী দেশ হিচাবে জীয়াই থাকিব বিচাৰিছো, উন্নতশীল দেশ হিচাবে পৃথিৱীৰ লগত সমানে খোজ মিলাব বিচাৰিছো কিন্তু আমি বাহিৰে এই বিলাক কৰিবলৈ গৈছো যদিও ভিতৰি কৰিছো কি? আমাৰ লাখ লাখ ল'ৰা-ছোৱালীক আমি আগবঢ়াই লৈ যাব পৰা নাই। শিক্ষা দিক্ষা দিব পৰা নাই অন্ধকাৰত পেলাই ৰাখিছো। ভাৰতবৰ্ষই উন্নতশীল দেশ হিচাবে পৰিচয় দিবলৈ হলে আমাৰ কোটি কোটি ল'ৰা-ছোৱালীক আগবঢ়াই লৈ যাব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড: অসমত দেৰ কোটি মানুহ আছে।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী: মই অকল অসমৰ কথাই কোৱা নাই। ভাৰতবৰ্ষৰ কথাও কৈছো। আজি আমাৰ শতকৰা ২০ ভাগ মানুহেহে লিখা পঢ়া জানে। গতিকে আমি যদি পৃথিৱীৰ লগত সমানে খোজ মিলাব বিচাৰো তেনেহলে আমাৰ অধিক সংখ্যক মানুহক শিক্ষিত কৰি তুলব লাগিব আজি

আমাৰ যিটো শতকৰা শিক্ষিতৰ হাৰ সেইটো অত্যন্ত লজ্জাজনক। এই লাজ ধাকিৰলৈ হলে আমাৰ মানুহক শিক্ষিত কৰি তুলিবই লাগিব। শতকৰা ৭২ জন মানুহক অন্ধকাৰত পেলাই ৰাখিলে নহব। চৰকাৰে এহাতে অন্ধকাৰত পেলাই ৰাখিব আৰু আনহাতে সেই অজ্ঞতাৰ সুযোগ লৈ তেওঁলোকৰ পৰা নানা ভাবে কৰ-কাটল আদায় কৰি অত্যাচাৰ জুলুম কৰিব। এইটো বৰ দুখজনক কথা। আমাৰ ইয়াত ১৯ হাজাৰ প্ৰাইমাৰী স্কুল আছে। তাত ৪৪ হাজাৰ শিক্ষক আছে আৰু ১৬ লাখ ৬৫৫ জন ছাত্ৰ-ছাত্ৰী আছে। আচলতে এইটো সংখ্যা শুদ্ধ নহয়। আমাৰ অসমত দেৰ কৌটি মানুহৰ ভিতৰত যদি ৩০ লাখ পৰিয়াল ধৰা যায় আৰু প্ৰত্যেক পৰিয়ালতে ৪ জনকৈ ল'ৰা-ছোৱালী ধৰা হয় তেনেহলে দেখা যায় যে প্ৰায় ১২০ লাখ ছাত্ৰ-ছাত্ৰী আছে। হয়তো মোৰ সংখ্যাটো অলপ কম বেচি হব পাৰে সেইটো আপোনালোকে যোগ বিয়োগ কৰি লব। আচল সংখ্যাটো যিয়েই নহওক আমাৰ যে প্ৰাইমাৰী শিক্ষা লেহেম গতিত চলিছে সেইটো মুই কৰিব নোৱাৰি। এই কথাটো চৰকাৰে নৈতিক দায়িত্ব বুলি ধৰি লোৱা নাই। মাত্ৰ ৰাজনৈতিক দৃষ্টিভংগীক কোনোবাই দোষাৰোপ কৰিব বুলি আৰু প্ৰেচাৰৰ কোবত কৰবাত দুই চাৰিখন স্কুলৰ মঞ্জুৰী দিছে। যত ২০ খন ভেন্সাৰ স্কুল আছে তাত ৪ খন মানত মঞ্জুৰী দিছে। অৱশ্যে মন্ত্ৰীৰ সমষ্টিত দুই চাৰি খন মানৰ মঞ্জুৰী বেচিকৈ পাইছে। তাৰ কাৰণে মোৰ কোনো ঈৰ্ষা নাই মই ভালহে পাইছো। আমাৰ স্কুলে মঞ্জুৰী পাইছে।

অধ্যক্ষ মহোদয়, আমাৰ শিক্ষাৰ যি ধৰণৰ পৰিবৰ্ত্তন হব লাগিছিল সেই পৰিমাণে পৰিবৰ্তন হোৱা নাই। কুৰিদফীয়া আঁচনি মতে প্ৰাইমাৰী শিক্ষা, হাইস্কুলৰ শিক্ষাৰ যি প্ৰসাৰতা লাভ কৰিব লাগিছিল সেই পৰিমানে প্ৰসাৰতা লাভ কৰিব পৰা নাই। কুৰিদফীয়া আঁচনি মতে যত যত ভেনচাৰ স্কুল গঢ়ি উঠিছে সেইবিলাক চৰকাৰে লব লাগিছিল কিন্তু সেইবিলাক চৰকাৰে লোৱাৰ ব্যৱস্থা কৰা নাই। দেখা গৈছে প্ৰত্যক্ষ ভাবে নহলেও অপ্ৰত্যক্ষ ভাবে হলেও মানুহবিলাকক শিক্ষা জগতৰ পৰা আতৰাই ৰখাৰহে কৌশল কৰিছে। এই বিলাক কথা সকলোৱেই কৈ আহিছে। আজিয়েই নহয় বৃটিছৰ যুগৰ পৰাই এই বিলাক কথা পৰ্য্যালোচনা কৰি অহা হৈছে। সমাজৰ নেতৃস্থানীয় লোক সকলৰ মুখৰ পৰাও আমি এই বিলাক কথা শুনি আহিছো। চৰকাৰে চাৰিও ফালে প্ৰচাৰৰ কাৰণে পোষ্টাৰ মাৰি যিমান বিলাক টকা খৰচ কৰিছে সেই খিনি টকা শিক্ষাৰ কাৰণে খৰচ কৰা হলেও আমাৰ দেশ বহুত আগবাঢ়ি গ'লহেতেন। আজি এনেকুৱা হৈছে যে ২১০ টকা দি এজন এল পি স্কুলত শিক্ষক দিব পৰা নাই।

বৃটিছৰ আমোলাৰ দিনৰে পৰা দেখা গৈছে যে পোষ্টাৰ ইত্যাদিৰ ক্ষেত্ৰত অজস্ৰ টকা খৰচ হৈ আছে কিন্তু প্ৰাইমাৰী স্কুলত ২১০ টকা খৰচ কৰি এজন শিক্ষক দিব পৰা হোৱা নাই অথচ আজি ১০ বছৰেও এই শিক্ষাৰ ক্ষেত্ৰত আমি শতকৰা ১ ভাগ হে আগবাঢ়িব পাৰিছো, অযথা চিঞৰ-বাখৰ কৰি একো লাভ নাই, বিভিন্ন ঠাইত এই স্কুলৰ ক্ষেত্ৰত বৈষম্য দেখা গৈছে, কৰবাত কৰবাত স্কুল যদিও দুই এখন হৈছিল কিন্তু এনে কিছুমান ঠাই আছে য'ত নেকি এখনো স্কুল নাই। লাখ লাখ ল'ৰা-ছোৱালী আজি পঢ়িবলৈ স্কুল নাই, খাবলৈ আৰু পিন্ধিবলৈ তেওঁলোকৰ ব্যৱস্থা নাই, এই বিলাক কথা চৰকাৰে নজনা নহয় তথাপিতো তাৰ কোনো ব্যৱস্থা চৰকাৰে কৰিব পৰা নাই, প্ৰশাসনৰ মেচিনটো গতানুগতিক ভাবে চলি আছে, স্বাধীনতাৰ আগতে যেনে ভাবে চলি আছিল ঠিক তেনে ভাবে এতিয়াও চলি আছে, কেৱল ৰাইজক মোহত আবদ্ধ কৰিবৰ কাৰণে কৰবাত দুই এঠাইত প্ৰশাসন যন্ত্ৰটোৰ দোষবিলাক ঢাকিবৰ কাৰণে স্কুল পাতিছে। এইবিলাক অত্যন্ত দুখলগা কথা। এইবিলাক কথা যদি ৰাইজৰ আগত প্ৰকট কৰা হয় তেতিয়াহলে কব যে এইবিলাক মানুহ বিপ্লৱী মানুহ। আজি মিনিমাম যিখিনি শিক্ষা ব্যৱস্থা, চিকিৎসা খাদ্য যোগান ধৰা ইত্যাদি এই কথা বিলাক চৰকাৰে চিন্তা কৰিব লাগিছিল। আজি মিনিমাম নিডৰ ক্ষেত্ৰত যিবিলাক কাম চৰকাৰৰ ফালৰ পৰা কৰিব লগীয়া আছিল সিমান খিনিও কৰিব পৰা নাই, এই মিনিমাম নিডৰ নামত কেৱল গাৱঁৰ বা চহৰৰ মাজেদি এটা ৰাস্তা নিৰ্মান কৰিলেই সেইটো সম্পূৰ্ণ নহয়, যিটো মানুহৰ জীয়াই থাকিবলৈ মিনিমাম নিড বা যিটো বেচি নিড যাৰ দ্বাৰা তেওঁলোকে মানুহৰ নিচিনাকৈ জীয়াই থাকিব পাৰিব আৰু আনৰ আগত ঘৃণনীয় নহয় সেইটো বিশেষভাবে চিন্তা কৰিব লগীয়া অথচ আজি এই সময়ত দেখিবলৈ পাইছোঁ আমাৰ শতকৰা ৪০ ভাগ মানুহ' বিলো দি পোভাৰটী লাইনত আছে তেওঁলোকৰ দুবেলা দুমুঠি খাই জীয়াই থাকিবলৈও সামৰ্থ নোহাৱা হৈছে। আজি যি সময়ত আমাৰ ল'ৰা-ছোৱালী বিলাকক মাক বাপেকে দুবেলা দুমুঠি অন্ন যোগান ধৰিব নোৱাৰে তেনে সময়ত তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে কি চিন্তা কৰিব ? যেতিয়া খাবলৈকে একো নাই তেনে অৱস্থাত এই ল'ৰা-ছোৱালী বিলাকৰ পঢ়া-শুনাৰ প্ৰতি কি ধাউতি থাকিব, গতিকে আমাৰ গোৱালপাৰা জিলাত কোনো কোনো স্কুলত খাদ্যৰ ব্যৱস্থা কৰাৰ নিচিনাকৈ অসমৰ আন আন স্কুলতো 'চচিয়েল ওৱেলফেয়াৰ' বিভাগৰ জৰীয়তে বা 'ফুড নিউট্ৰিশ্যন প্ৰোগ্ৰেমৰ' দ্বাৰা খোৱা খাদ্যৰ যোগান ধৰিলে আমাৰ সেই দুখীয়া

ল'ৰা-ছোৱালী বিলাকে খোৱাৰ সুবিধা থকাৰ কাৰণে স্কুললৈ আহিব আৰু খোৱা খাদ্য পালে তেওঁলোকৰ পঢ়া-শুনাৰ প্ৰতি ধাউতি বাঢ়িব, এই খাদ্য যোগান পাঠ্যক্ৰমৰ লগতে ৰাখিলে লৰা-ছোৱালীৰ সুবিধা হব আৰু শিক্ষকেও শিক্ষাদান কৰাত সুবিধা পাব। আজি যিহেতু আমি বিদেশৰ পৰা বস্তু-বাহানী আনি আছো আনকি খোৱা খাদ্যও আনিছো তেনে অৱস্থাত এই সকলো লাজ-মান কাতি কৰি থৈ অন্ততঃ আমাৰ দুখীয়া ল'ৰা-ছোৱালী বিলাকক যাতে স্কুলত খাদ্য যোগান ধৰিব পাৰো বা টিফিন যোগান ধৰিব পাৰো তেতিয়াহলে আমাৰ স্কুললৈ আহিব নোখোজা ল'ৰা-ছোৱালী বিলাক ক্ৰমান্বয়ে স্কুললৈ আহিবলৈ আৰম্ভ কৰিব। ইয়াৰ আগতে আমাৰ বাধ্যতামূলক শিক্ষা কোনো কোনো প্ৰাইমাৰী স্কুলৰ ক্ষেত্ৰত আছিল কিন্তু তথাপিতো যদি ল'ৰা-ছোৱালী স্কুললৈ নাযায় তেতিয়াহলে তেওঁলোকৰ মাক-বাপেকক শাস্তি দিয়াৰ কোনো ব্যৱস্থা নাই। আন আন দেশত এল, পি স্কুল কিয় আনকি উচ্চ শিক্ষাৰ ক্ষেত্ৰতো বাধ্যতামূলক হোৱাৰ নিচিনা আৰু সেই শিক্ষা লৈ, বিভিন্ন কাৰিকৰী শিক্ষালৈ যাব পাৰিব আৰু যিসকল অত্যন্ত মেধাৱী সেই সকলে একেবাৰে উচ্চতম শিক্ষা লবলৈ আগবাঢ়ি যাব পাৰে। আজি অসম শিক্ষাত ইমান পিচপৰা অথচ এনেকুৱা অৱস্থাত ৰাজ্যিক চৰকাৰে শিক্ষাত আগবঢ়াই নিবৰ কাৰণে কোনো ব্যৱস্থা কৰিব পৰা নাই আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰাও সেই দিশত কোনো দিৰেকটিভ দিয়া হোৱা নাই। কেৱল মুষ্টিমেয় লোক খিনিৰ কাৰণে শিক্ষা ব্যৱস্থা নকৰি আমাৰ ৰাজ্যখনত এই প্ৰাইমাৰীৰ পৰা আৰম্ভ কৰি শিক্ষা ব্যৱস্থা বাধ্যতামূলক কৰিব লাগে যাতে আমাৰ প্ৰত্যেক জন মানুহৰে এটা ৰাজনৈতিক চেতনা জাগি উঠে।

বাধ্যতামূলক শিক্ষা গাওঁ বিলাকত পাতিবৰ ইচ্ছা নাই। কাৰণ মানুহৰ পেটত ভাত নাথাকিলে আনফালে কাম কৰিব নোৱাৰে। গতিকে প্ৰত্যেকতে বাধ্যতামূলক প্ৰাইমাৰী শিক্ষা হব লাগে। তেতিয়াহলে সামাজিক ন্যায় বিচাৰ কৰা হব। মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত অলপ কব বিচাৰিছো। ওপৰৰ শিক্ষা যেতিয়া ইয়াত অলপ বেচি চালাকি কৰিছে। আমাৰ প্ৰয়োজন মতে হাইস্কুল হোৱা নাই। কিছু বছৰ আগতে গোস্বামী কমিচন হৈছিল। সেই কমিচনৰ ৰিপোৰ্টত প্ৰতি আঢ়ৈ হাজাৰৰ পৰা তিনি হাজাৰ থকা জনসংখ্যা থকা এলেকাত একোখন এম, ই স্কুল হব লাগে বুলি কৈছিল। আজি পাচ ছয় হাজাৰ জনসংখ্যা থকা এলেকাত একোখন এম, ই স্কুল আছে নে নাই সন্দেহ। কামৰূপ জিলাৰ জনসংখ্যা হল ২৮ লাখ ইয়াত দেফিচিট চিষ্টেমৰ ২৭৭ খন আৰু এডহক গ্ৰাণ্ট পোৱা ২৬৩ খন মুঠ ৫৩০ খন এম, ই স্কুল আছে। হাইস্কুল ১৫৬ খন

দেফিচিট চিষ্টেমৰ আৰু ১৭৬ খন এড-হক গ্ৰাণ্ট পোৱা মুঠ ৩৫০ খন হাইস্কুল আছে। মুঠতে ৯০০ খন এম, ই স্কুলত পঢ়াত সুবিধা পাইছে। তাৰ পিচতেই গোৱালপাৰাৰ জনসংখ্যা হল ২৩ লাখ। গোৱালপাৰাত দেফিচিট চিষ্টেমৰ ১৬৯ খন আৰু এডহক গ্ৰাণ্ট পোৱা ১৮৯ খন এম, ই স্কুল আছে। দেফিচিট চিষ্টেমৰ প্ৰায় ৭৭ খন আৰু এডহক গ্ৰাণ্ট পোৱা ১০৫ খন হাইস্কুল আছে। ভেন্সাৰৰ হিচাপটো ধৰা নাই। এই ধৰণে আঞ্চলিক বৈষম্য থাকি গৈছে। যত এল, পি স্কুল দিব নোৱাৰে তাত হাইস্কুল দিব নোৱাৰে। জন-সাধাৰণে পতা ভেন্সাৰ হাইস্কুল বিলাকক নমিনেল এটা আঢ়েশ টকাৰ গ্ৰাণ্ট দিয়া হয়। ১৯৬২ চনত স্থাপন কৰা স্কুল এখন আজি ১৪ বছৰে দেফিচিট চিষ্টেমলৈ অহা নাই। এই ধৰণে আজি স্কুল বিলাক ৰখা হৈছে। ল'ৰা ছোৱালী বিলাকৰ ৫০ জনৰ ভিতৰত ৫-১০ জন পাচ কৰে। এইবিলাক স্কুলত আজি ল'ৰা-ছোৱালী বেচি ভাগ পঢ়ি আছে। এই স্কুল বিলাক শিক্ষাৰ পৰিপন্থী হোৱা নাই। চৰকাৰে যদি এনে ধৰণৰ লেহেম গতিত কাম কৰে তেন্তে আমাৰ দেশত শিক্ষিতৰ সংখ্যা কেনেকৈ বাঢ়িব ? গতিকে আমাৰ চৰকাৰে এই ক্ষেত্ৰত দৃষ্টিভংগী পৰিবৰ্তন কৰিব লাগিব। বিশেষকৈ আঞ্চলিক বৈষম্য দূৰীকৰণৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। এই গোটেই বিলাক কথা চিন্তা কৰি কৈছো যে হাইস্কুললৈকে বিনামূলীয়া শিক্ষা ব্যৱস্থা হব লাগে। এইটো যদি কৰা নহয় তেন্তে আমাৰ যিটো বেচি দায়িত্ব বা কৰ্তব্য তাক পালন কৰা নহব। গতিকে মোৰ কথা হল চৰকাৰে এই কৰ্তব্য পালন কৰা উচিত।

গতিকে যিহেতু দেশৰ আৰ্থিক অৱস্থা খুব খাৰাব, মানুহৰ আৰ্থিক অৱস্থা খাৰাব শতকৰা ৭০ ভাগ মানুহ প্ৰভাৰটি লাইনৰ তলত। গতিকে এই পৰিবেশ পৰিবৰ্তন কৰি হাইস্কুলত বিনামূলীয়া শিক্ষা কাৰ্য্যকৰী কৰিব বুলি আশা ৰাখিছো। চৰকাৰৰ দৃষ্টি ভংগী পৰিবৰ্তন কৰি দেশৰ আন আন ৰাজ্যৰ লগত শিক্ষাৰ ক্ষেত্ৰত সামঞ্জস্য ৰাখি সমকক্ষ ভাৱে আগবাঢ়ি যাব বুলি আশা ৰাখিছো। লগতে ভাৰতবৰ্ষ দেশ হিচাবে পৃথিৱীৰ আন আন দেশৰ লগত যাতে সমানে সুবিধা পাব পাৰে তাৰ কাৰণে চৰকাৰে চাব লাগে।

মাননীয় অধ্যক্ষ : আপুনি ৪০ মিনিট কলে আৰু ৭ জন বক্তাই কবলৈ আছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী : মই আৰু বেছি সময় নকওঁ মাত্ৰ ১০ মিনিট সময় কৈ শেষ কৰিম। অধ্যক্ষ মহোদয়, এই মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত যিবিলাক বৈষম্য আছে সেইটো মই কব লাগিব। এইবিলাক কাগজে-পত্ৰে দিয়া হয় কিন্তু দুখৰ বিষয় আমি সকলোৱে নপঢ়ো। সেইটোৱে হৈছে অসুবিধা।

কামৰূপত হাইস্কুলৰ সংখ্যা আছে ১৫৬ খন ডেফিচিট, আৰু ১৭৮ খন এড্‌হক। গোৱালপাৰাত দেফিচিট স্কুলৰ সংখ্যা ৭৭ খন আৰু এডহক ১০৫ খন। নগাওঁত ডেফিচিট ৭৭ খন আৰু এডহক ৭৮ খন। শিৱসাগৰত ডেফিচিট ১১৮ খন, আৰু এডহক ১৫৩ খন। দৰঙত ডেফিচিট ৫৮ খন আৰু এডহক ১০১ খন। কাছাৰত ডেফিচিট ৬১ খন আৰু এডহক ৮৯ খন। ডিব্রুগড়ত ডেফিচিট ৪৯ খন আৰু এডহক ৭৪ খন। উত্তৰ লক্ষীমপুৰত ডেফিচিট ২০ খন আৰু এডহক ৬৫ খন। দৰং জিলাখন আমাতকৈও অৰ্থাত গোৱালপাৰা জিলাতকৈও বঞ্চিত হৈ আছে। মন্ত্রী মহোদয়ৰ সমষ্টিত ডেফিচিট স্কুল নাছিলেই মন্ত্রী হোৱাৰ পিচত এখন হাইস্কুল ডেফিচিট হৈছে।

তাৰ পিচত এম, ই স্কুলৰ কথা কওঁ।

কামৰূপত ডেফিচিট স্কুলৰ সংখ্যা ২৭৭ খন আৰু এডহক ২৬৩ খন।

| | | |
|---|---|---|
| গোৱালপাৰাত ডেফিচিট | ১৬৯ খন আৰু এডহক | ১৮৯ খন। |
| নগাওঁত | ১৪৩ খন আৰু | ১৯২ খন। |
| শিৱসাগৰত | ১৯৮ খন আৰু | ১৪৬ খন। |
| দৰং | ৯৩ খন আৰু | ৯৩ খন। |
| কাছাৰত | ১৬০ খন আৰু | ১২৭ খন। |
| লক্ষীমপুৰত | ৫৬ খন আৰু | ৭৪ খন। |
| ডিব্রুগড়ত | ১০৬ খন আৰু | ৮৬ খন। |

এই বৈষম্যমূলক শিক্ষানীতিৰ ফালে চাওক। হায়াৰ চেকেণ্ডাৰিৰ কথাকো কওঁ। কামৰূপ জিলাত ১০ খন মাত্র স্কুল আছে, গোৱালপাৰাত ৩ খন, নগাওঁত ৬ খন, শিৱসাগৰত ৬ খন, দৰঙত ৫ খন, কাছাৰত ৬ খন, আৰু ডিব্রুগড়ত মাত্র ৪ খন আছে। গোৱালপাৰা জিলাত ২৩ লাখ মানুহৰ ভিতৰত মাত্র ৩ খন হায়াৰ চেকেণ্ডাৰী স্কুল থকাটো এটা বৈষম্যমূলক কথা হৈছে। গোৱালপাৰা জিলাত মুখ্যমন্ত্রীকে ধৰি কেবাজনো পুৰণা মন্ত্রী আছে। গতিকে এই অঞ্চলত কেবাখনো স্কুল বৈষম্য নথকাকে হব লাগিছিল। কিন্তু এইবাৰ যদি ৩ খনৰ ঠাইত ১৩ খন স্কুল কৰি দিয়ে সকলো সদস্যই কব যে মন্ত্রীয়ে নিজৰ সমষ্টিত স্কুলবিলাক পাতি লৈছে। গতিকে মই খাটাং যে ৫ বছৰৰ ভিতৰত গোৱালপাৰা জিলাত কোনো স্কুল নহয়। গতিকে মই আশা ৰাখিছো যে এই বৈষম্য আতৰাই মই কোৱাৰ দৰে ধুমচিয়া পুজাৰ দৰে যাতে সকলোৱে সমানে ভাগ পায় তাৰ ব্যৱস্থা কৰিব লাগে। গতিকে মই আশা ৰাখিছো এই বৈষম্য বিলাক আতৰাই চৰকাৰে সকলো জিলা বা মহকুমাতে সমানভাৱে স্কুল পাতি এটা সুব্যৱস্থা কৰে। হাইস্কুলৰ ক্ষেত্রত জিলা বা মহকুমা ভিত্তিত ল'ৰাৰ হোষ্টেল আছে কিন্তু ছোৱালী

হোষ্টেল প্ৰয়োজনানুসাৰে নথকাটো অতি পৰিতাপৰ কথা। কাৰণ মহিলা শিক্ষাৰ ব্যতিৰেকে কোনো সমাজেই আগবাঢ়িব নোৱাৰে। আজি মহিলা বৰ্ষ পালন কৰা হৈ গল। কিন্তু মহিলা সকলৰ কাৰণে কোনো এটা ভাল কাম কৰা হোৱা নাই। এইদৰে মহিলাবৰ্ষ আদি পালন কৰি মহিলা সকলক ভূলাই আছে। কাৰণ মহিলাক ভুলাওতে বেছি সময় নালাগে। গতিকে এই মহিলা সকলৰ অৱস্থালৈ চাই মহিলা সকলৰ বাবে চকু দিয়াটো চৰকাৰৰ কৰ্তব্য। মই আশা ৰাখিছো এইবিলাক কথালৈ চৰকাৰে দৃষ্টি দিব। এইখিনি কৈয়ে মই প্ৰস্তাৱটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগোবিন্দ চন্দ্ৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বৰা ডাঙৰীয়াই যিটো মোচন এই সদনত উৎথাপন কৰিছে সেই সংক্ৰান্তত কেইটামান কথা কম বুলি আগবাঢ়িছো। প্ৰস্তাৱটো উত্থাপন কৰাৰ পিচত এই প্ৰস্তাৱৰ সন্দৰ্ভত কেইটামান কথা কবলৈ এই সুযোগ দিয়া বাবে প্ৰথমতে মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, আমি স্বাধীনতা পোৱাৰ আগতে দেশত শিক্ষাৰ কি অৱস্থা আছিল শিক্ষানুষ্ঠান কিমান আছিল আৰু আমাৰ দেশৰ মানুহ বিলাকে শিক্ষা লাভ কৰাৰ কাৰণে কিমানখিনি খাটিব লাগিছিল সেই কথা আমি সকলোৱে জানো। সেই সময়ত এটা ইউনিভাৰচিটি নাছিল, কলেজ নাছিল কিন্তু আমি আজি স্বাধীনতাৰ পিচত শিক্ষাৰ কাৰণে পহিলা স্তৰতে কাম কৰা হৈছে টকা অনুদান দিয়া হৈছে। আজি আমাৰ তিনিটা ইউনিভাৰচিটি আছে সেই অনুপাতে কলেজ আছে। এই ক্ষেত্ৰত আজি আমি চৰকাৰক অভিনন্দন জনাইছো। শিক্ষাৰ শিতানত স্বাধীনতাৰ পিচৰে পৰা চৰকাৰে বহু সংখ্যক টকা খৰচ কৰি আহিছে অন্যান্য শিতানত খৰচ কৰা টকাতকৈ শিক্ষাৰ শিতানত খৰচ কৰা টকাৰ সংখ্যাই সৰহ। ইয়াৰ কাৰণ হ'ল যাতে আমাৰ ভৱিষ্যত পুৰুষ সকলক সুশিক্ষিত কৰি সুন্দৰ কৰি তুলিব পাৰো আৰু ভৱিষ্যতে সুন্দৰভাৱে দেশ শাসন কৰিব পাৰে। বিৰোধী পক্ষৰ মাননীয় সদস্য কেইগৰাকীমানে চৰকাৰে লেটা পকাই তাতে সোমাই থকা বুলি অভিযোগ কৰিছে কিন্তু কি যুক্তিত কৈছে মই বুজি পোৱা নাই। কাৰণ আমি জানো যে পচপন্ন কোটি টকা অকল শিক্ষাৰ শিতানতে খৰচ কৰা হৈছে আৰু শিক্ষাৰ ক্ষেত্ৰত সমগ্ৰ দেশকে সমানে আগবঢ়াই অনাৰ কাৰণে চিন্তা কৰা হৈছে তেনে ক্ষেত্ৰত লেটা পকাই থকা কথাটো দুখ লগা কথা।

অধ্যক্ষ মহোদয়, আচলতে শিক্ষা আৰম্ভ হয় গৰ্ভত। কিন্তু গৰ্ভৰ কথা বাদ দিলেও প্ৰাক প্ৰাথমিক পৰ্য্যায়তে শিক্ষাৰ আচল আৰম্ভ হয়। অৰ্থাত

তিনি বছৰৰ পৰা পাচ বছৰৰ ভিতৰত। এই চোৱাৰ কাৰণে চৰকাৰে যথেষ্ট চেষ্টা কৰিছে যদিও ফলৱতী হব পৰা নাই। ১৯৬৭ চনতে যেতিয়া মই এই বিধান সভাৰ সদস্য হিচাবে নিৰ্বাচিত হৈ আহিছিলো মোৰ প্ৰথম বক্তৃতাত কৈছিলো যে গাওঁৰ মানুহৰ অভাৱ বৰ বেছি একো নাই, এটা স্কুল ঘৰ লাগে, কুৱা এটা লাগে আৰু এটা আলিবাট লাগে। যিবিলাক স্কুল ঘৰৰ ঘৰ-তুৱাৰ বেয়া সেই বিলাকৰ কাৰণে পঢ়া-শুনাৰ আহিলা-পাতি বা স্কুল ঘৰৰ কাৰণে ব্যৱস্থা কৰি দিব লাগে কিন্তু তেতিয়া সেই সময়ৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই কৈছিল যে ৰাজ্যৰ গোটেইখিনি প্ৰাথমিক স্কুলৰ ঘৰৰ ভেটি পকা কৰি দিয়াৰ কাৰণ চাৰিশ কোটি টকাৰ প্ৰয়োজন হব কিন্তু সেইটো গোটেই ৰাজ্যৰ কাৰণে বাজেটৰ টকা। যিয়েই হওক তেতিয়াৰে পৰা মই বিধান সভাৰ সদস্য হৈ থকা কালছোৱাত দেখিবলৈ পাইছো যে চৰকাৰে শিক্ষাৰ কাৰণে যথেষ্ট টকা খৰচ কৰি আহিছে। অৱশ্যে পাশ্চাত্য দেশ বিলাকৰ ৰাইজে নিজেও এই শিক্ষাৰ কাৰণে দায়িত্ব গ্ৰহণ কৰে আৰু চৰকাৰ আৰু ৰাইজৰ সহযোগত সেই দেশ বিলাকৰ শিক্ষা ব্যৱস্থা বৰ আগবঢ়া হৈ যায়। কিন্তু আমাৰ ইয়াত চৰকাৰে যথেষ্ট সহযোগ কৰিছে হয় কিন্তু ৰাইজৰ লগত সহযোগীতা ৰাখি কাম কৰিলে নিশ্চয় শিক্ষাৰ ক্ষেত্ৰত আমিও আগবাঢ়ি যাব পাৰিম। সেই বিলাক দেশত ৰাইজেও চৰকাৰৰ লগত শিক্ষাৰ কাৰণে খৰচ কৰিবলৈ আগবাঢ়ি আছে। আমাৰ ভাৰতবৰ্ষত যিবিলাক পুৰণা শিক্ষা পদ্ধতি আছিল সেই বিলাকো আমি ফল' কৰিব পৰা নাই। কিন্তু পাশ্চাত্য দেশ সমূহে সেই বিলাক ফল' কৰাৰ কাৰণে চেষ্টা কৰিছে। আমাৰ চকু মুদ খাই আছে। কিয়নো তুশ বছৰ ধৰি বৃটিছৰ দ্বাৰা শাসিত হৈ পৰাধীনতাৰ কাৰণে আমি চকু মুদাৰ অভ্যাস কৰা কাৰণে সেই অভ্যাস আমি এৰিব পৰা নাই। অৱশ্যে এতিয়া আমি চকু মেলিছো আৰু এতিয়া আমিও আগবাঢ়ি যাবলৈ চেষ্টা কৰিছো। এতিয়া আমাৰ চৰকাৰৰ হাতত শিক্ষাৰ কাৰণে বেছি দায়িত্ব নেৰাখি ৰাইজৰ হাততো এই দায়িত্ব এৰি দিব লাগে। অৱশ্যে চৰকাৰে যথেষ্ট পৰিমাণে সহায় কৰিছে কিন্তু চৰকাৰৰ হাতত অকলে থাকিলে এটা গণ্ডীৰ ভিতৰত থাকে কাৰণেই ৰাইজৰ হাততো এই দায়িত্ব এৰি দি স্বাধীনভাৱে কাম কৰিবলৈ সুবিধা দিব লাগে। বোধকৰো সেই মতে আঁচনি ললে আমি শিক্ষাৰ ক্ষেত্ৰত বহুখিনি আগবাঢ়িব পাৰিম। তেতিয়া হলে আমাৰ ৰাইজৰ শিক্ষাৰ প্ৰতি ধাউতিও বাঢ়িব। অৱশ্যে এতিয়া ৰাজ্যৰ সকলো ঠাইতে শিক্ষাৰ প্ৰতি ধাউতি বাঢ়িছে এইটো এটা আনন্দৰ কথা। অলপতে আমি কেইজনমান বিধান সভাৰ সদস্য গৈছিলো আৰু এগ্ৰিকালচাৰ মিনিষ্টাৰ শ্ৰীবৰাক লগ পাইছিলো আৰু তেখেতে কৈছিল যে স্বাধীনতাৰ

আগতে মাত্র পোন্ধৰ বিশ খনমান মাত্র প্ৰাথমিক স্কুল আছিল যদিও এতিয়া প্ৰায় সাতশ খন স্কুল কৰা হৈছে। তেওঁ কৈছে যে স্কুল হৈছে শিক্ষাৰ একমাত্র বস্তু। সেইকাৰণে সভ্যতাৰ মাপ কাঠি জোখাৰ একমাত্র বস্তু হল স্কুল আৰু তাৰ কাৰণে তেওঁলোকে এই কথা উপলব্ধি কৰিয়েই স্কুলৰ সংখ্যা বঢ়াইছে। আমি আৰু বহুত কথাই কৈছিলো। তাৰ পিচত ধন্যবাদ দি আহিছো। এতিয়া অৱশ্যে আমাৰ ৰাইজৰ মাজতো আগ্ৰহ হৈছে আগতে ল'ৰা-ছোৱালীক গৰু ৰখিবলৈ পঠিয়াইছিল কিন্তু এতিয়া হলে স্কুললৈ পঠিয়াবলৈ সংকোচ বোধ নকৰে। আগতে প্ৰাথমিক শিক্ষাৰ কাৰণে তুটকাৰ পৰা পঞ্চাশ টকা জৰিমনা কৰা হৈছিল আৰু কোনো কোনো ক্ষেত্ৰত ফাটেক আদিৰো ব্যৱস্থা আছিল কিন্তু এতিয়া আৰু কোনেও প্ৰাথমিক শিক্ষাৰ প্ৰতি আওকাণ কৰা দেখা নাযায়। প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ কাৰণে কোনো নীতি আদিও এতিয়া আৰু খটুৱাব লগীয়া হোৱা নাই। যদি আমাৰ চৰকাৰেও ৰাইজৰ সঁহাৰিব লগতে সহযোগীতা কৰি যদি আগবাঢ়ি আহে তেন্তে নিশ্চয় অতি কমেও দহ বছৰৰ ভিতৰতে সমানে শিক্ষাৰে শিক্ষিত কৰিব নোৱাৰিলেও অতি সোনকালে শিক্ষিত কৰিব পাৰিব বুলি মই নিসন্দেহ। উদাহৰণস্বৰূপে মই আমাৰ উত্তৰ লক্ষীমপুৰৰ কথাই কওঁ। আমাৰ উত্তৰ লক্ষীমপুৰ অতি পিচপৰা ঠাই আছিল ইয়াৰ লোকসংখ্যা প্ৰায় চাৰি লাখ আৰু তাত বৃটিচ যুগত মাত্র তিনিশ বিৰাশী খন স্কুল আছিল কিন্তু আজি তাত প্ৰায় বাৰ শ প্ৰাথমিক স্কুল স্থাপন কৰা হৈছে। সেই অনুপাতে হাইস্কুল আছিল মাত্র তিনিখন কিন্তু এতিয়া হৈছে ষাঠি খন। সেই অনুপাতে এম-ই আৰু এম-ভি স্কুলৰ সংখ্যাও বাঢ়ি গৈছে। ইয়াৰ দ্বাৰা বুজিব পাৰি যে আমাৰ দেশ শিক্ষাৰ ক্ষেত্ৰত বহুতখিনি আগবাঢ়ি গৈছে।

উচ্চতৰ মাধ্যমিক স্কুল বা মাধ্যমিক স্কুলৰ বিষয়ে বহুতো মাননীয় সদস্যই মতামত দাঙি ধৰিছে। আমাৰ এনেকুৱা একো একোটা মৌজা আছে যত ৩০ হেজাৰৰ বেছি মানুহ থাকে। মই অন্য ঠাইৰ কথা কোৱা নাই আমাৰ উত্তৰ লক্ষীম-পুৰৰ কথাহে কৈছো। তাত তিনিখনৰ বেছি হাইস্কুল আছে আৰু এম-ই স্কুলৰ সংখ্যাই নাই।

(দেফিচিট স্কুল কিমানখন আছে ?)

৫২ খনমান হব। পিচপৰা জেগাবিলাক এইদৰে আগবাঢ়ি গৈছে, এইটো আমি স্বীকাৰ কৰো। যিহওক, আৰু আগবাঢ়ি যাব বুলি আমি আশা কৰিছো আৰু চৰকাৰেও যথেষ্ঠ চেষ্টা কৰিছে। চৰকাৰে বিশৃংখলা দূৰ কৰাৰ কাৰণে চেষ্টা চলাইছে আৰু সেই অনুপাতে বিশৃংখলা দূৰো হৈছে। শেষত মই এটা কথা কওঁ সেইটো হৈছে আমাৰ যিবিলাক এল পি ভেনচাৰ স্কুল আছে সেইবিলাক

চৰকাৰে লব লাগে আৰু নিয়াৰিকৈ চলোৱাৰ দিহা কৰিব লাগে। স্কুলবিলাক চলাবৰ কাৰণে যিবিলাক মেনেজিং কমিটি আছে সেইবিলাকত থকা আসোৱাহ-বিলাক দূৰ কৰাৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

শ্ৰীমতী ৰেবতী দাস: মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য বৰা ডাঙৰীয়াই এই সদনত যিটো প্ৰস্তাৱ উত্থাপন কৰিছে সেই বিষয়ে মই কেইটামান পৰামৰ্শ দাঙি ধৰিবলৈ থিয় হৈছো। প্ৰাথমিক শিক্ষা আৰু মাধ্যমিক শিক্ষাৰ অনগ্ৰসৰতাৰ কেবাটাও দিশ মাননীয় সদস্যসকলে আলোচনা কৰিলে। চৰকাৰে শিক্ষা বিষয়ত বিশেষকৈ স্বাধীনতাৰ আগতে শিক্ষাৰ উন্নতি আৰু স্বাধীনতাৰ পিচত শিক্ষা বিষয়ত আমাৰ চৰকাৰে যথেষ্ঠ গুৰুত্ব সহকাৰে বৰ্তমানে মনোযোগ দিয়াত শিক্ষাত যথেষ্ঠ আগবাঢ়িছে। তাৰ ফলতেই স্কুল-কলেজৰ আৰু ইউনিভাৰচিটিৰ সংখ্যা বৃদ্ধি পাইছে। এই বিষয়ত গুৰুত্ব সহকাৰে দায়িত্ব লোৱাৰ কাৰণেই প্ৰাথমিক স্কুল, প্ৰি প্ৰাইমেৰী স্কুলৰ সংখ্যা, হাইস্কুল কলেজ আদিৰ সংখ্যা বাঢ়ি গৈছে। কিন্তু ৰাইজে অনুভৱ কৰিছে জনসংখ্যা অনুপাতে আমাৰ স্কুল হোৱা নাই আৰু বেছি হব লাগে। কেবাটাও কমিচনৰ মতামত সাপেক্ষে শিক্ষাৰ আজি আমোল পৰিবৰ্তন হৈছে।

অন্যান্য ৰাজ্যৰ লগত সমান মৰ্য্যদা ৰাখিবৰ কাৰণে চৰকাৰে শিক্ষা নীতিৰ পৰিবৰ্তনৰ ব্যৱস্থা লব লগা হৈছে। কিন্তু তাৰ পৰিপ্ৰেক্ষিতত যিখিনি সুবিধা, আহিলা-পাতি দিব লাগে সেইখিনি দিব পৰা নাই বিশেষকৈ আমাৰ এক কোটি জনসংখ্যাৰ ভিতৰত প্ৰায় ১৯ হেজাৰ খন এল পি স্কুল আছে। এই স্কুলবিলাক চৰকাৰীকৰণ কৰিছে তাৰ ফলত শিক্ষক সকলৰ মান বাঢ়িছে। কিন্তু গাওঁৰ কিছুমান স্কুলত এতিয়াও বহুত অসুবিধা আছে। এতিয়া দেখা গৈছে কিছুমান স্কুলৰ গ্ৰাণ্ট সীমিত কৰা হৈছে, ল'ৰা-ছোৱালীৰ সংখ্যা অনুপাতে যিদৰে গ্ৰাণ্ট পাব লাগিছিল সেইদৰে পোৱা নাই। আনহাতে গাওঁ অঞ্চল বিলাকত এনে কিছুমান স্কুল আছে যত বহিবলৈ বেঞ্চ নাই, স্কুলৰ বেৰ-চাল নাই, গ্লোব নাই আনকি ঘড়ী এটাও নাই। সেই কাৰণে গাওঁৰ স্কুল বিলাকে চৰকাৰৰ অনুদান পাবৰ কাৰণে ৰাইজেই হওক বা অভিভাবকেই হওক বা শিক্ষকেই হওক আগ্ৰহান্বিত হৈ থাকে। মোৰ নিজৰ অভিজ্ঞতাৰ পৰা কৈছো যে, সঘনে স্কুল পৰিদৰ্শন নকৰাৰ ফলত শিক্ষা বিষয়ৰ অনগ্ৰসৰতা হবলৈ পাইছে। এনে বহুত স্কুল আছে যে যিবিলাক একেৰাহে ১০ বছৰমান ধৰি কোনেও পৰিদৰ্শন কৰাৰ কথা কব নোৱাৰে।

বহুত স্কুল দেখা গৈছে ১০ বছৰলৈ ডি, আই, এ, ডি, আই বিলাকে প্ৰাইমাৰী স্কুল চোৱাৰ কথা কবই নোৱাৰে। সেই কাৰণে এই স্কুল বিলাক পাচ পৰি আছে আৰু স্কুলবিলাকৰ অৱস্থা দুখ লগা। গতিকে মই শিক্ষামন্ত্ৰীক কব বিচাৰিছো

এইবিলাক স্কুলত দায়িত্ববোধে দৰ্কাৰ হলে পৰিদৰ্শকৰ সংখ্যা বৃদ্ধি কৰি হলেও স্কুলবিলাকক কিছু আগবঢ়াই আনিব লাগে। আজি দেখা গৈছে বহুত শিক্ষকে আপত্তি কৰে তেওঁলোকে দৰ্মহা পোৱা নাই বুলি আনকি চৰকাৰীকৰণ কৰাৰ পাচত ৬ মাহ পৰ্য্যন্ত শিক্ষক সকলে দৰ্মহা পোৱা নাই। চকীদাৰে দৰ্মহা পোৱা নাই। শিক্ষক সকলৰ কথা আজি ৰাইজলৈ আহিব নালাগে চৰকাৰী হিচাবে এওঁলোকৰ দায়িত্বত থকা দি, আই, সকলে ইয়াৰ ভু-ভা লৈ বিহিত ব্যৱস্থা কৰিব লাগে। বহুত ঠাইতে ৰাইজে মাটি দান দি, ধান সলাই টকা দি অথবা শাৰীৰিক শ্ৰমেৰে স্কুল প্ৰতিষ্ঠা কৰিছে তেওঁলোকে স্কুলৰ উন্নতি কামনা কৰে ধ্বংস নিবিচাৰে। আজি কমিটি বিলাকৰ ক্ষেত্ৰত ৰাইজৰ মাজত বিশৃংখলাই দেখা দিছে। এই সৰু সৰু কেৰোন বিলাক চাবৰ কাৰণে চৰকাৰে প্ৰয়োজনবোধে অধিক পৰিদৰ্শকৰ ব্যৱস্থা কৰিব লাগে। স্কুলবিলাক চৰকাৰীকৰনৰ পাচত ১০২৮ জন শিক্ষকে অৱসৰ ললে। এই শিক্ষক সকলে অৱসৰ লোৱাৰ পাচত স্কুলবিলাকত শিক্ষক নিযুক্তি নিদিয়াত ৰাইজে বহুত অসুবিধা অনুভৱ কৰিছে। এই শিক্ষক সকলে চিনিয়ৰ বা হেড মাষ্টৰ হিচাবে ২০-২৫ বছৰ কাল চাকৰি কৰিলে। কিন্তু চৰকাৰী-কৰন কৰাৰ পাচত কিছুমান হয়তো মৰিও গ'ল। ফলত তেওঁলোকৰ পত্নী ল'ৰা-ছোৱালী বহুত কষ্ট ভোগ কৰিব লগীয়া হৈছে। গতিকে সেই মৃত্যু হোৱা শিক্ষক সকলক পেঞ্চন দিয়াৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰিলো। আৰু পেঞ্চনৰ ব্যৱস্থা কৰিলে দুখীয়া শিক্ষক সকলৰ উপকাৰ কৰা হব আৰু দুখীয়া পৰিয়ালৰো উপকাৰ কৰা হব।

তাৰ পিচত ১৯৭৪-৭৫ চনত ৮ খন মাধ্যমিক স্কুল ঘাটি মঞ্জুৰীত লৈছে আৰু তাৰ ভিতৰত গুৱাহাটীত এখন পৰিছে। ঘাটি মঞ্জুৰী পোৱা স্কুল বিলাকৰ যিবিলাকে ১৯৬৮ চনতে পাইছে তেওঁলোকৰ ক্ষেত্ৰতো কিছুমান ব্যতিক্ৰম দেখা গৈছে আৰু কিছুমানে কিছুমান সুবিধাৰ পৰা বঞ্চিতও হৈছে। গতিকে এই স্কুলবিলাক যাতে বঞ্চিত নহয় তাৰ কাৰণে ফ্ৰেজ ওৱাইজ যাতে ঘাটি মঞ্জুৰীৰ সুবিধা পায় তাৰ কাৰণে খবৰ লৈ সুবিধা কৰি দিয়াৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। এম-ই পৰ্য্যায়ৰ স্কুলবিলাকৰ চৌকিদাৰ বিলাকক চৰকাৰে মাত্ৰ ৯ টকা দৰ্মহা দিয়ে আৰু স্কুলে ১০ টকা দিয়ে। কিন্তু আমি সকলোৱে জানো যে স্কুলত যদি চৌকিদাৰ নাথাকে তেনেহলে বেৰা কাতি বোৰ্ডখন বা ঘড়ীটো চুৰ কৰি নিব আনহাতে ৯ টকা দৰ্মহাত আজিৰ যুগত এজন মানুহ চলাটো সম্ভৱপৰ যে নহয় তাক সকলোৱে জানে। সেই কাৰণে এই বিষয়ত এটা সুব্যৱস্থা কৰিবলৈ মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

কোঠাৰী কমিচনে যি ১২ বছৰীয়া পাঠ্যক্রম কৰিছে তাত চতুর্থ শ্রেণীৰ পৰা ষষ্ঠ শ্রেণীলৈ ফিজ মাফ দিছিল কিন্তু এতিয়া পঞ্চমৰ পৰা যেতিয়া অষ্টমমান শ্রেণীলৈ যি পাঠ্যক্রম হৈছে তাত অষ্টম শ্রেণীৰ ফিজ মাফ দিয়া নাই তাৰ কাৰণে স্কুলবিলাকে অসুবিধাৰ সন্মুখীন হৈছে। গতিকে এই কথা বিলাকত যাতে কর্তৃপক্ষই মনোযোগ দিয়ে মই তাৰ কাৰণে চৰকাৰক অনুৰোধ কৰিলো। যোৱা ১৯৭৪ চনৰ জানুৱাৰী ফেব্রুৱাৰী মাহত যিবিলাক স্কুল চৰকাৰীকৰন কৰা হৈছিল আৰু সেই বিলাকৰ মঞ্জুৰী বাবদ যি অনুদান চৰকাৰৰ ফালৰ পৰা দিছিল সেই অনুদান পোৱা নাই। তাৰ কাৰণে স্কুলবিলাকে বিপদৰ সন্মুখীন হৈছে শিক্ষক সকলৰ দৰ্মহা দিয়াত পৰিচালনা কমিটিৰ অসুবিধাৰ সন্মুখীন হোৱা দেখা গৈছে। চৰকাৰৰ আজি যি শিক্ষানীতি সেই শিক্ষানীতিক সকলোৱে আদৰণি জনাইছে। কিন্তু স্কুল বিলাকত চাবজেক্ট ওৱাইজ শিক্ষক নাথাকিলে বৰ অসুবিধা হয়। আমাৰ প্রাইমাৰী স্কুলবিলাকৰ কিতাপত বিজ্ঞানৰ যিখিনি কথা দিয়া হৈছে এই কথাবিলাক আগৰ যিসকল শিক্ষক তেওঁলোকে ভালকৈ বুজাব নোৱাৰে আৰু নতুন পদ্ধতি বিলাকত কিছু অসুবিধা হৈছে। সেই কাৰণে এই পাঠ্যক্রমৰ লগত সমন্বয় ৰাখি শিক্ষক যাতে দিয়ে তাৰ কাৰণে মই চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিলো। ফ্রি ইনকামৰ পৰা শিক্ষক সকলে যি শতকৰা ৫০ ভাগ ৰিজার্ভ ফাণ্ডৰ কাৰণে আছে সেইটো ১৯৭৪ চনৰ পৰা আজিলৈ দিয়া নাই। এই কথা বিলাকৰ লগত অনগ্রসৰতাৰ এটা সম্বন্ধ আছে। গতিকে প্রয়োজনবোধে শিক্ষক সকলক যিখিনি উপযুক্ত সা-সুবিধা দিব লাগে সেইখিনি তেওঁলোকে নাপালে আন্দোলন-মুখী হয় আৰু ছাত্র-ছাত্রী সকলক যি শিক্ষা দিব লাগে সেইখিনিৰ প্রতি মনোযোগ নিদিয়ে। আনহাতে শিক্ষক সকল আজি আন আন অনুষ্ঠানৰ লগত জড়িত হৈ থাকে ফলত শিক্ষাদানত কিছু বাধা হয় আৰু ছাত্র বিলাক আন্দোলনমুখী হয়। কিন্তু এতিয়া আন্দোলন বিলাকৰ কিছু শাম কাটিছে। গতিকে শিক্ষক সকলে অন্যান্য অনুষ্ঠানৰ লগত যাতে জড়িত নাথাকে তাৰ কাৰণে তেওঁলোকক যিখিনি সা-সুবিধা দিব লাগে সেইখিনি সা-সুবিধা দিলে শিক্ষক ছাত্র আৰু ৰাইজ নিশ্চয় সুখী হব আৰু বর্তমান শিক্ষাৰ দিশত নতুন পৰিবর্তন আহিব বুলি আশা কৰা হৈছে সেই পৰিবর্তন আহিব।

'চায়েন্স'ৰ শিক্ষা দিয়াৰ কাৰণে যিখন স্কুলতে বিজ্ঞান শিক্ষক-শিক্ষয়িত্রীৰ ব্যৱস্থা নাই সিবিলাক স্কুলত অনতিপলমে তাৰ ব্যৱস্থা কৰিব লাগে। চায়েন্স'ৰ শিক্ষাৰ কাৰণে যিবিলাক 'এপাৰেটাছ'ৰ প্রয়োজন সেইবিলাক কোনো কোনো স্কুলত আছে যদিও সি কার্য্যকৰী অৱস্থাত নাই। কিছুমান একেবাৰেই ঘুণে ধৰা অৱস্থাত আছে। যিবিলাক অনুষ্ঠানৰ পৰা এই বিলাক অনা হয় সেইবিলাক অনুষ্ঠান বা

কোম্পানীয়ে লাভৰ আশাত কম মূল্যৰ কাঠ দি তৈয়াৰ কৰে। ফলত ল'ৰা-ছোৱালী বিলাকে কোনো বস্তু প্ৰদৰ্শন কৰিব নোৱাৰে। এই অভিযোগ বহুত স্কুলৰ পৰাই পোৱা গৈছে। এইবিলাক অনতিপলমেই আতৰ কৰিব লাগে। কিয়নো আজি সকুৰে পৰা ডাঙৰলৈকে সকলো পৰ্য্যায়ৰে ছাত্ৰ-ছাত্ৰী 'চায়েন্স'ৰ শিক্ষাৰ প্ৰতি ধাউতি দেখা গৈছে। গতিকে আজি এনেকুৱা এটা অৱস্থাতে আমাৰ চৰকাৰে সকলো বিলাক স্কুলতে এটা নতুন ধৰণৰ আলোড়ণৰ সৃষ্টি কৰিবলৈ বিচাৰিছে সেইটো নিতান্তই সময়োপযোগী হৈছে আৰু মোৰ দৃঢ়বিশ্বাস তাৰ দ্বাৰা আমাৰ শিক্ষাৰ ক্ষেত্ৰত দ্ৰুত পৰিবৰ্তন হব। আলোচনা চক্ৰৰ জৰিয়তে কেনেকৈ ভাল শিক্ষা দিব পাৰি, শিক্ষাৰ ক্ষেত্ৰত কি প্ৰতিবন্ধকতা আছে, সেই বিলাক কেনেকৈ দূৰীভূত কৰিব পাৰি এইবিলাক সম্পৰ্কত আলোচনা চক্ৰ বিলাকৰ জৰিয়তে আলোচনা আদি আমাৰ শিক্ষানুৰাগী আৰু ৰাইজৰ মাজত আলোচনা বিলোচনা আদি হোৱা দেখা গৈছে। সেই কাৰণেই শিক্ষানীতিৰ প্ৰতি আমাৰ ৰাইজৰ আগ্ৰহ দেখা গৈছে। এই কথাটোও অনুভৱ কৰা হয় যে, যেতিয়া এখন স্কুল থাকে তেতিয়া তাত বহাৰ ব্যৱস্থা নোহোৱা অধিক ল'ৰা-ছোৱালী হোৱাৰ কাৰণে নতুন এখন স্কুল খুলিবলৈ প্ৰয়াস পায়। কিন্তু এইদৰে নতুন স্কুল নুখুলি যিবিলাক স্কুল ইতিমধ্যেই আছে সেইবিলাকৰ চৌহদতে যদি মাটি-বাৰী থাকে তেতিয়া হলে তাতেই আধুনিক দৰ্কাৰী সকলো খিনিৰ ব্যৱস্থা কৰি দিব লাগে। খেলা-ধূলাকে আৰম্ভ কৰি কলা-কৃষ্টি আদি যাতে চৰ্চা কৰাৰ সুযোগ সুবিধা থাকে তেনেহলে, আমাৰ ছাত্ৰ-ছাত্ৰী বিলাক ভৱিষ্যতে সু-নাগৰিক হব পাৰিব। আগতে স্কুল বিলাক 'বৰ্ডে' লৈছিল যদিও বহুত বিলাক স্কুল তেনেকৈয়ে থাকি গ'ল। গতিকে যিবিলাক ভেন্সাৰ স্কুল আছে সেই বিলাককে চৰকাৰে চৰকাৰীকৰণ কৰিব লাগে।

তাৰোপৰি, আমাৰ যিবিলাক ছোৱালী স্কুল আছে সেইবিলাকত দেখা যায় যে, লেট্ৰিনকে আদি কৰি বহুতো বিলাক অসুবিধা আদি আছে। বহুতো স্কুলত সেইবিলাক 'ফাণ্ড' নোহোৱাৰ কাৰণেই কৰিব পৰা নাই। মালিগাৱঁতে এনেকুৱা কেবাখনো স্কুলত দেখা গৈছে। কুৱাৰ্টাৰ বিলাক ওচৰতে থকাৰ কাৰণে শিক্ষয়িত্ৰীয়ে লোকৰ 'কুৱাৰ্টাৰলৈ' যাবলগীয়া হয়। এইবিলাক কথা আমাক যেতিয়া কয় তেতিয়া আমাৰ বৰ দুখ লাগে। এইবিলাক কথা চাবৰ ব্যৱস্থা আছে কিন্তু কিয় এই স্কুলবিলাকে অনুদান নেপায়। যোৱা বছৰ এই শিতানত কিছুমান অনুদান দিয়া হৈছিল সেইবিলাক সকলো স্কুলে পোৱা নাই। বিশেষকৈ মোৰ সমষ্টিতে বহু স্কুলত এই শিতানত কোনো অনুদান নেপালে।

স্কুলৰ প্ৰধান শিক্ষক বা কমিটি বিলাকৰ পৰা এইবিলাক কথা সদায়েই জনাই থকা হয়। গতিকে এই বিষয়ে আমাৰ মাননীয় মূখ্যমন্ত্ৰী তথা শিক্ষামন্ত্ৰীয়ে চাব বুলি মই আশা ৰাখিছো। এই বিলাকত গুৰুত্ব দিয়েই হওঁক বা যিবিলাক কাৰ্য্যসূচী চৰকাৰে লৈছে সেইবিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণেই সেই কাম সম্পূৰ্ণ কৰিবৰ কাৰণেই ব্যৱস্থা কৰিব লাগে। তেতিয়াহে পূৰ্ণাঙ্গ শিক্ষানীতিৰে আমি আগবাঢ়ি যাব পাৰিম। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা ২০ দফীয়া আচনি কাৰ্য্যকৰী কৰণৰ কাৰণে যি আহ্বান জনাইছে সেই আহ্বানৰ প্ৰতি আমি অভিনন্দন জনাইছোঁ। কাম কৰিবলৈ আগবাঢ়িছে যদিও কিছুমান অঞ্চলত মানুহৰ কোনো অৰ্থ সম্বল নাই মাত্ৰ নিজে পৰিশ্ৰম কৰিব পাৰে। টকা-পইচা একো দান দিব নোৱাৰে। সেইবিলাক অঞ্চলত খেৰৰ ঘৰ বা মাটি লিপি স্কুল পতাৰ কোনো অৰ্থ নাই। প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে সঁাৱত ভঙা-পতা কৰিবলগীয়া হোৱাৰ কাৰণে পকি ঘৰ কৰা হলে যিমান পৰিলহেঁতেন তাৰ সমানেই পৰেগৈ বা তাতকৈ বেছি পৰিলেও কম নপৰে। আমাৰ গাওঁ বিলাকৰ মানুহ বিলাকৰ এটা ধাৰণা আছে যে, সকলো বিলাক সুযোগ সুবিধাবোৰে চহৰলৈ আহে। এই বিষয়ে আমাৰ স্কুল বিলাকত যিবিলাক কুৱাৰ্টাৰ দিয়াৰ কথা আছে আৰু স্কুল বিলাকত যি 'টিফিন' দিয়াৰ ব্যৱস্থা আছে সেই বিলাক দিয়াৰ ব্যৱস্থা কৰিব লাগে। আগৰ দৰে গাওঁবিলাকত মাছ গাখীৰৰ অভাৱ। ঘৰত ভালদৰে গাখীৰ পানী খাই ল'ৰা-ছোৱালী স্কুললৈ আহিব নোৱাৰে। অনাহাৰ-অৰ্ধাহাৰত স্কুললৈ গাৱৰ বহুতো ল'ৰা-ছোৱালী আহিব লগীয়া হোৱাৰ কাৰণে তিনিঘণ্টামান স্কুলত থকাৰ পিছত কোনো ল'ৰা-ছোৱালী কেতিয়াবা কেতিয়ামা ফিটহৈ পৰে। এই পৰিপ্ৰেক্ষিতলৈ লক্ষ্য কৰি গাৱৰ স্কুল বিলাকতো 'টিফিন' আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই গোটেই বিলাক ত্ৰুটি-বিচ্যুতি আতৰ কৰিব পাৰিলে পৰিবৰ্তিত শিক্ষা ব্যৱস্থাৰে আমি প্ৰগতিৰ পথত আধুনিক জগতত আগবাঢ়িব পাৰিব। এইদৰে যদি চৰকাৰে দ্ৰুত ব্যৱস্থাৰে কৰিবলগীয়া কাম কৰিবলৈ আগ্ৰহী হয় তেহে শিক্ষাৰ অনগ্ৰসৰতাৰ পৰা হাত সাৰিব পাৰিব। আৰু শিক্ষাৰ প্ৰসাৰতা বাঢ়িব এয়ে মোৰ পৰামৰ্শ—কাৰ্য্যকৰী কৰিবলৈ চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো।

ডঃ শ্ৰীকোষেশ্বৰ বৰা: মাননীয় মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ সম্পৰ্কত অনগ্ৰসৰতাকলৈ যিটো প্ৰস্তাৱ উত্থাপন কৰিছে সেইটোৰ সমৰ্থনত মইও কেইষাৰমান কথা কবলৈ ওলাইছোঁ। স্বাধীনতাৰ পৰবৰ্ত্তী কালছোৱাত আমি অনুভৱ কৰিছিলো যে, আমাৰ

দেশৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্ত্তন হব লাগে। স্বাধীনতাৰ পিছত দুটা যুগেই পাৰহৈ গ'ল। দেশীয় চৰকাৰে শিক্ষা ব্যৱস্থাৰ সন্দৰ্ভত নানান আয়োগ কমিচন আদি কৰিলে। শিক্ষাৰ আমূল পৰিৰ্ত্তনৰ ক্ষেত্ৰত সকলোৱে একেস্বৰে স্বীকাৰ কৰিছিল। আৰু সেই অনুপাতে এই ২৯ বছৰে বা ২৯ বছৰৰ ভিতৰত যদিও বহুখিনি হৈছে সেইটো যদি তুলনামূলক ভাবে চোৱা যায় তেতিয়াহলে দেখা যাব যে স্বাধীনতাৰ আগতে স্কুল কলেজ বা বিশ্ববিদ্যালয়ৰ সংখ্যা যিমান আছিল স্বাধীনতাৰ পিচত স্কুল কলেজৰ সংখ্যা বহুত বাঢ়িল আৰু বিশ্ববিদ্যালয়ৰ সংখ্যাও কেইবাখনো হ'ল। কিন্তু স্কুল কলেজ বা বিশ্ববিদ্যালয়ৰ সংখ্যা বাঢ়িলেই বা বঢ়া দেখুৱালেই নহব। আজি আমাৰ প্ৰত্যেক জন মানুহেই শিক্ষা পাইছে নে নাই সেইটোহে আচলতে চাব লাগে। বিশেষকৈ ১৯৫০ চনত যেতিয়া সংবিধান গ্ৰহণ কৰা হৈছিল তেতিয়া এটা দাবী আছিল যে ১০ বছৰৰ ভিতৰত আমি বাধ্যতা-মূলক প্ৰাথমিক শিক্ষা দিব লাগিব অন্ততঃ যাতে নিজৰ নামটো লিখিব পাৰে সেইটো আমি সংকল্প গ্ৰহণ কৰিছিলো। কিন্তু ১৯৬০ চনৰ পৰা ১৬ বছৰ পাছত দেখা গল আমি যি সংকল্প লৈছিলো সেইমতে কাম কৰিব নোৱাৰিলো। ইয়াৰ প্ৰধান কাৰণ হ'ল এই প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আমি যি মতে গুৰুত্ব দিব লাগিছিল সেইমতে গুৰুত্ব নিদিলো আৰু আজি সেই কাৰণেই আমাৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত এনে এটা দুৰবস্থা। আজি আমি যদি প্ৰাথমিক স্তৰতে আমাৰ লৰা-ছোৱালী বিলাকৰ অন্তৰত শিক্ষাৰ বিষয়টো ভাল দৰে সুমুৱাই দিব নোৱাৰো তেতিয়াহলে আমি স্কুল কলেজ বা বিশ্ববিদ্যালয়ত যিমানেই নিদিও কিয় তাৰ দ্বাৰা আমাৰ লৰা-ছোৱালী বিলাকক প্ৰকৃত শিক্ষা দিব নোৱাৰিম। তাৰোপৰি বহু সময়ত দেখা যায় আজি আমাৰ যিবিলাক ঠাইত বা অঞ্চলত স্কুলৰ সংখ্যা বেচি আছে আৰু য'ত শিক্ষাৰ পৰিসৰ বেচি তাতহে নতুনকৈ স্কুল ইত্যাদি প্ৰতিস্থা কৰা হৈছে আনহাতেদি য'ত স্বাধীনতাৰ দিনৰে পৰা কোনো শিক্ষাৰ অনুষ্ঠান হোৱা নাই য'ত কোনো স্কুল হোৱা নাই সেইবিলাক চিৰদিনেই অৱহেলিত হৈ আহিছে ফলত আজি ২৯ বছৰেও তেনে বিলাক ঠাই শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হৈ আছে। তাত এতিয়াও ৮।৯ বছৰলৈ লৰা-ছোৱালীয়ে নাঙঠা হৈ ঘুৰি ফুৰে, শিক্ষা কি বস্তু তেওঁলোকে বুজি নাপায়। শিক্ষাৰ নামত ইমান টকা পইচা খৰচ কৰা বাবেও আজি সমুহীয়া ভাবে আমাৰ ৰাইজ এই আচঁনিৰ পৰা কোনো ধৰণে উপকৃত হোৱা নাই ইয়াৰ আচল কাৰণ হ'ল আমি শিক্ষাৰ ক্ষেত্ৰত ওপৰৰ লেভেলতহে বেচি জোৰ দিছোঁ। আমাৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীজীয়ে শিক্ষাৰ ক্ষেত্ৰত প্ৰাইমাৰী আৰু মাধ্যমিক স্তৰত বেচি জোৰ দিবলৈ কৈছিল, কিন্তু তেতিয়া যদিও তেখেতক এই কথাৰ কাৰণে ইতিকিং কৰা হৈছিল

কিন্তু আমি যদি তেতিয়াৰ পৰা সেই উদ্দেশ্যৰে কামত আগবঢ়া হলে আজি শিক্ষাৰ সংক্ৰান্তত এই প্ৰস্তাৱ বিধান সভাত উত্থাপন নহলহেতেন। সেইকাৰণে এইবিলাক বিষয়ে দকৈ চিন্তা কৰিব লগীয়া হৈছে। এতিয়া চৰকাৰী কৰণ কৰাৰ পিচত বহুতে ভাবিছে যে আগতে এনেধৰণে চৰকাৰী কৰণৰ কোনো ব্যৱস্থা নাছিল গতিকে এতিয়া নিশ্চয় শিক্ষাৰ ক্ষেত্ৰত কিবা এটা ভাল হব কিন্তু প্ৰকৃততে সেইটো নহল কিয়নো আগতে শিক্ষকে নিজৰ চাকৰিতোৰ কাৰণে চিন্তা কৰিছিল যে যদি স্কুলত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি যায় বা স্কুললৈ লৰা ছোৱালী যদি নাহে তেতিয়াহলে স্কুল উঠি যাব পাৰে আৰু তেতিয়াই তেওঁলোকৰো শিক্ষকতা এনেয়ে যাব গতিকে তেতিয়া তেওঁলোকে অন্তত অধিক তৎপৰতাৰে শিক্ষা দিয়াৰ কাৰণে চেষ্টা কৰিছিল যাতে স্কুললৈ অধিক ছাত্ৰ-ছাত্ৰী আহে, কিন্তু এতিয়া যিহেতু তেওঁলোকৰ চাকৰিটো চৰকাৰীকৰণ কৰা হ'ল আৰু চিৰস্থায়ী হৈ পৰিল তেনে ক্ষেত্ৰত লৰাই শিক্ষা পাওক নাপাওক তেওঁলোকৰ চাকৰিতো নাযায়, সেয়েহে আজি এই ৬ মাহৰ ভিতৰতে আমাৰ স্কুল বিলাকৰ এনে দুৰবস্থা হৈছে। আগতে শিক্ষক সকলে তেওঁলোকৰ দায়িত্ব বুজিছিল আৰু সেই মতে স্কুলৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে কাম কৰিছিল। তাৰোপৰি আগতে যেতিয়া চৰকাৰী কৰণ হোৱা নাছিল তেতিয়া ৰাইজে এইবিলাক স্কুলৰ উন্নতিৰ কাৰণে বেছিকৈ তত্বাবধান লৈছিল কিন্তু যেতিয়াৰ পৰা এই স্কুলবিলাক চৰকাৰে ললে তেতিয়াৰ পৰা ৰাইজেও স্কুলৰ উন্নতিকল্পে যি ধৰণে চিন্তা কৰিব লাগে সেইবিলাকৰ পৰা গা এৰা দিবলৈ ধৰিলে। ফলত অতি কম সময়ৰ ভিতৰতে প্ৰাইমাৰী স্কুলবিলাকৰ ঘৰ দুৱাৰ আৰু শিক্ষাৰ অৱস্থাতো অতিকৈ শোচনীয় হৈ পৰিল। তাৰোপৰি আজি স্কুলৰ লৰা-ছোৱালী বিলাকৰ কাৰণে যিবিলাক আচ-বাব লাগে স্কুল ঘৰ ঠিক মতে হব লাগে আৰু লৰা-ছোৱালী বিলাকে সুস্থিৰে বহি মেলি পঢ়া-শুনা কৰিবলৈ সুবিধা পায় সেইবিলাকৰ কোনো ব্যৱস্থা নাই। ৰ'দ বৰষুণ বা বতাহ আহিলে কোনোতো সময়তে তাত বহি লৰা-ছোৱালীয়ে শিক্ষা লাভ কৰিব নোৱাৰে, কোনো কোনো ঠাইত স্কুল ঘৰৰ বেৰ নাই, ওপৰত টিঙ বা খেৰ নাই আৰু যদি লৰা-ছোৱালী বিলাকে নিজে ফটা বস্তা বা ঢাৰী লৈ নাহে তেতিয়া-হলে তেওঁলোকে তাত বহি স্কুলত পঢ়া শুনা কৰিব নোৱাৰে। গতিকে আজি এই বহামেলাকৈ ধৰি বেঞ্চ দেস্ক ইত্যাদি সকলো থিক-থাক কৰি নিদিলে শিক্ষাৰ প্ৰসাৰতা কেতিয়াও লাভ কৰিব পৰা নাযাব। আমাৰ ভাৰতবৰ্ষ বা অসমৰ বাহিৰে এনেধৰণৰ অৱস্থা আন কোনো ঠাইতে নহয়, তথাপিতো আমি গৰ্বৰে চিঞৰিছোঁ যে শিক্ষাৰ ক্ষেত্ৰত বহু টকা খৰচ কৰা হৈছে স্বাধীনতাৰ পিছত আমাৰ হাইস্কুল কলেজ বা বিশ্ববিদ্যালয়ৰ সংখ্যা যদিও বহুত বাঢ়িল কিন্তু তাৰ দ্বাৰা

এটা বিশেষ জনগোষ্ঠিৰ শিক্ষা হৈছে আৰু তেওঁলোকৰ ল'ৰা-ছোৱালী বিলাকেহে স্কুললৈ গৈছে কিন্তু গোটেই অসমৰ যিটো সমূহীয়া ব্যৱস্থা সেইটো এতিয়াও শোঁচনীয় আৰু অৱহেলিত হৈ আছে।

মুখ্যমন্ত্রী মহোদয়ে এইবাৰ দুই এখন প্রাইমাৰী স্কুলত থাকি তাৰ দুৰবস্থা দেখি আহিছে। গাওঁ অঞ্চলৰ ছাত্র ছাত্রী সকলে কি অবস্থাত শিক্ষা লব লগা হৈছে তাক দেখি আহিছে। দুই এজন ছাত্র ছাত্রীয়ে নিজৰ মেধাবি শক্তিৰ কাৰণে শিক্ষা আহৰণ কৰিব পাৰিছে। শতকৰা ৯৯ ভাগ ছাত্র ছাত্রীয়ে এনেকুৱা অসুবিধাৰ কাৰণে শিক্ষাৰ পৰা বঞ্চিত হৈছে। তেওঁলোকে অসুবিধাৰ কাৰণে শিক্ষা সাং কৰিব লগা হৈছে। ১২ বছৰীয়া পাঠ্যক্রম গাওঁ বিলাকত প্রবর্তন কৰাৰ ফলত গাওঁ বিলাকত দুৰবস্থা হৈছে। ইয়াৰ কাৰণে দুটা কথাত ফাঁকি দিয়ালৈ শিকোৱা হৈছে। ৬ বছৰীয়া লৰা ছোৱালীৰ শিক্ষা নোহোৱা ব্যৱস্থা অসমৰ বাহিৰে অইন কোনো দেশত নাই। ৬ বছৰৰ পিছত শিক্ষাৰ পৰা বঞ্চিত হৈ থাকি স্কুলত আহি শিক্ষা লোৱাটো সম্ভৱ নহয়। আমাৰ সমাজৰ কিছুমান দোষ থাকে। কন কন লৰা ছোৱালীয়ে শিক্ষা বাদ দি সহজ সৰল জীৱন যাপন কৰিব বিচাৰে। আমাৰ পিছপৰা অঞ্চলৰ ছাত্র ছাত্রী বিলাক তেনে অবস্থা হৈছে। আজি চাহ বাগানৰ লৰা-ছোৱালী বিলাকক কি শিক্ষা দিয়ে? তেওঁলোকক কি সুবিধা দিয়া হৈছে? দুই এজন ছাত্রই নিজৰ মেধাবী গুণৰ কাৰণে বা অভি-ভাৱকৰ যত্নৰ ফলত শিক্ষিত হৈছে। অকল মেট্রিক বা এম, এ পাছ কৰাটো কেই প্রকৃত শিক্ষা বুলি কব নোৱাৰি। মানুহ হিচাবে গঢ়ি তুলিবলৈ যিটো শিক্ষাৰ প্রয়োজন তাকে আচল শিক্ষা বুলি কব পাৰি। আজি অসম তথা ভাৰতক ভাল শিক্ষা দিব পৰা নাই। যাৰ ফলত চুৰ, দুর্নীতি আদি কৰিবলৈ শিকোৱা হৈছে। আজি ২৯ বছৰে অস্থিৰ শিক্ষা নীতি চলিছে। বিজ্ঞানত যেনেকৈ কিছুমান বস্তু ধ্বংস কৰি পৰীক্ষা চলোৱা হয় ঠিক তেনেকৈ আমাৰ ডেকা গাভৰু সকলৰ ওপৰত পৰীক্ষা চলোৱা হৈছে। মাধ্যমিক স্তৰ আৰু কলেজ স্তৰত একো একোটা আয়োগ গঠন কৰা হৈছে আৰু প্রত্যেকেই একোটাকৈ পাঠ্যক্রম দিছে। চৰকাৰে সেই বিলাক নভবা নিচিন্তাকৈ গ্রহণ কৰাৰ ফলত অস্থিৰ শিক্ষা নীতি হৈছে। ইয়াৰ ফলত আমাৰ ডেকা গাভৰু সকলক বিভ্রান্ত কৰা হৈছে আৰু নিবনুৱা সমস্যা আদিৰ সন্মুখীন হব লগা হৈছে। দেশখনে দুর্নীতি আৰু অসুবিধাৰ সন্মুখীন হব লগা হৈছে। আজি এনেকৈ দেশত ২৯ বছৰে অস্থিৰ শিক্ষা নীতি চলিল। এই ১২ বছৰীয়া পাঠ্যক্রম কিমান দিন চলিব তাত মোৰ সন্দেহ আছে। প্রত্যেক জন শিক্ষা-মন্ত্রীয়ে পার্গতালি দেখুৱাবৰ কাৰণে বেলেগ বেলেগ শিক্ষা নীতি গ্রহণ কৰে।

এইদৰে পৰীক্ষা চলাই চলাই আমাৰ জনসাধাৰনক ধ্বংস কৰা হৈছে। ১২ বছৰীয়া পাঠ্যক্রম ভাৰতৰ পাঠ্যক্রম নহয়। বিদেশৰ পৰা অনা পাঠ্যক্রম। ছয় বছৰীয়া ছাত্র ছাত্রী সকলৰ কোনো ব্যৱস্থা আগতে নকৰাকৈ যধে মধে ১২ বছৰীয়া পাঠ্যক্রম গ্রহণ কৰা হৈছে। গতিকে ই যে কৃতকার্য্য হব তাত মোৰ সন্দেহ আছে। কলেজত প্রিইউনিভাৰচিটি এবছৰীয়া দুবছৰীয়া আদি কৰি আৰু ডিগ্রীত এবছৰীয়া আৰু দুবছৰীয়া কৰি পৰীক্ষা চলোৱা হৈছে। ১২ বছৰীয়া পাঠ্যক্রম যে সেই অনুসৰি বদলি নহব তাত মোৰ সন্দেহ হৈছে। বহুমুখী মাধ্যমিক স্কুল বিলাক কোটি কোটি টকা খৰচ কৰি কৰা হ'ল পৰীক্ষাগাৰৰ যন্ত্রপাতি বিলাক এতিয়া সদ্ব্যৱহাৰৰ অভাবত মামৰে ধৰিছে। সেই খিনি যদি কোনো কাৰিকৰী অনুষ্ঠানত দিয়া হলহেতেন তেন্তে বহুত উপকাৰ হলহেতেন। এতিয়া সেইটো বাদ দি নতুন পাঠ্যক্রম গ্রহন কৰা হৈছে। ১২ বছৰীয়া পাঠ্যক্রম আৰম্ভণিৰ পৰা যিটো হিচাবত হব লাগিছিল সেইটো হোৱা নাই। এনে ব্যৱস্থা অন্য কোনো দোষ নাই। ছয় বছৰৰ তলৰ লৰা ছোৱালীৰ কোনো ব্যৱস্থা নকৰাকৈ লৰালৰিকৈ এই নতুন পাঠ্যক্রমৰ ব্যৱস্থা কৰা হৈছে। অসম চৰকাৰে পোৱালীনজগোৱাকৈ কণীকে উকুৱাব বিচাৰে। এবছৰতে দুখন মেডিকেল কলেজ পাতিছে। লৰালৰিকৈ কোনো আচনি নোহোৱাকৈ কৰাৰ ফলত আজি চৰকাৰে লোকচান ভৰিব লগা হৈছে। এবছৰৰ ভিতৰত চিভিল হাস্পাতাল দুখনক মেডিকেল কলেজলৈ ৰূপান্তৰিত কৰা হ'ল। পাহাৰৰ ওপৰত মেডিকেল কলেজ পাতিবলৈ লোৱাৰ ফলত আজি শিল ভাঙিব নোৱাৰি কলেজ এৰিব লগা হৈছে। ৰাজধানীৰ ক্ষেত্রতো অস্থায়ীৰ নামত আনি কোটি কোটি টকা খৰচ কৰা হৈছে। এই ঘৰ বিলাক এবছৰৰ ভিতৰত ভাঙে নেকি ঠিক নাই। আজি কোনো প্রগ্রেম নোহোৱাকৈ যধে মধে টকা খৰচ কৰা হৈছে। আজি বাৰ বছৰীয়া পাঠ্যক্রম প্রচলন কৰিছে আৰু কর্ম অভিজ্ঞতা আদিৰ বিষয় সোমোৱাই দিয়া হৈছে। ইয়াৰ ফলাফল কি হয় পৰীক্ষাৰ পিচত কব পৰা হব।

সেই কাৰণে মই পৰামর্শ দিব খুজিছো প্রাক-প্রাথমিক শিক্ষাত বেছি জোৰ দিব লাগে। একোটা সমষ্টিত একোখন প্রাক-প্রাথমিক স্কুল দিলে নহব। আজি ১৫।২০ বছৰে বুনিয়াদী শিক্ষাৰ প্রশিক্ষণ শিক্ষক সকলক দি থকা হ'ল। শিক্ষকসকলে তাৰ ওলোটাটোহে পঢ়ায়। কাৰণ স্কুল বিলাকত সেই ধৰণে শিক্ষাৰ আহিলা-পাতি নাই। স্কুল বিলাকত ব্লেক বোর্ড নাই, চক নাই, তাত কেনেকৈ বুনিয়াদী প্রশিক্ষণ প্রাপ্ত শিক্ষক সকলে শিক্ষা দিব। গতিকে লাখ লাখ কোটি কোটি টকা এই বুনিয়াদী প্রশিক্ষণত খৰচ কৰি লাভ নহল। গতিকে বুনিয়াদী প্রশিক্ষণ বাদ দি শিক্ষক সকলক প্রাক-প্রাথমিক শিক্ষাৰ প্রশিক্ষণ দিয়াৰ ব্যৱস্থা

কৰিব যাতে প্ৰত্যেকখন প্ৰাইমাৰী স্কুলৰ লগতে প্ৰাক-প্ৰাথমিক স্কুল খুলিব পৰা যায়। আজি ভেনচাৰ এল-পি স্কুল আছে। সেইবিলাকত বহা-মেলাৰ একো অসুবিধা নাই। চৰকাৰী যি কেইখন এল-পি স্কুল আছে সেই কেইখন বৃটিচৰ দিনতে পাতিছিল। ২৯ বছৰৰ ভিতৰত যি কেইখন ডেফিচিট স্কুল খোলা হৈছে সেই কেইখন মন্ত্ৰী সকলক ধৰিব পৰা অঞ্চলতহে হৈছে। যি অঞ্চলত অশিক্ষিত লোক আছে সেই খিনিত পাচ, দহ মাইলৰ ভিতৰতো একোখন স্কুল হোৱা নাই। জনজাতীয় অঞ্চলবিলাকত দেখা যায় স্কুলৰ সংখ্যা কম। ৰাইজে যত্ন কৰি অনুষ্ঠান পাতিছে। সেই বিলাক যি ধৰণে হব লাগিছিল সেই ধৰণে হোৱা নাই। ভেনচাৰ স্কুল বিলাক নিবনুৱা হৈ থকা যুৱক সকলে ১০।১২ জন ছাত্ৰ-ছাত্ৰী গোটাই পাতিছিল। সেইস্কুল খন কোনোমতে ধৰি মেলি চৰকাৰে লবলৈ বাধ্য কৰাইছে। এনে ধৰণে দুই এখন হৈছে। যি অঞ্চলৰ জনসাধাৰণ অজ্ঞ তাত হোৱা নাই। আনকি তাত ভেন্সাৰ স্কুল এখনো হোৱা নাই। মাননীয় সদস্য শ্ৰীগোবিন্দ বৰা ডাঙৰীয়াই কৈছে যে লক্ষীমপুৰত প্ৰতি মৌজাত ৩০ খন স্কুল আছে। মই জানো দুই এখনতকৈ বেচি নহয়। তাত যি কিখন আছে তাত ৰাইজেই বেচি ভাগ পাতিছে। কামৰূপ জিলাৰ বাহিৰে কোনো জিলাত তেনে ধৰণৰ স্কুল নাই। ইয়াতে ৰাজধানী হৈছে শিক্ষা বিভাগ আছে গতিকে আটাইবিলাক হব। দৰং জিলাত এচ, আই সকলক ভেনচাৰ প্ৰাইমেৰী স্কুলৰ চেক্ৰেটাৰী পাতিছে। ইয়াৰ ফলত স্কুল বিলাকৰ যি ধৰণে পৰিদৰ্শন হব লাগিছিল সেই ধৰণে হোৱা নাই। এচ, আই সকল এতিয়া বিমোৰত পৰিছে। প্ৰাইমেৰী স্কুল বিলাকৰ অৱস্থা বৰ বেয়া হৈছে। এচ, আই সকলক প্ৰাইমেৰী স্কুলৰ চেক্ৰেটাৰী পতাৰ কোনো প্ৰয়োজন নাই। সেই অঞ্চলটোত বহুতো শিক্ষক থাকে তেওঁলোকক চেক্ৰেটাৰী পাতিলে একো অসুবিধা নহব। তেওঁলোকক এই দায়িত্বটো যাতে দিয়া নহয় তাৰ ব্যৱস্থা কৰিব লাগে। তেওঁলোক চেক্ৰেটাৰী হোৱাৰ পৰা বহুত সমস্যাৰ সন্মুখীন হব লগা হৈছে। তাৰ পাচত আন এটা সমস্যাই দেখা দিছে যে, ছাত্ৰসকলৰ এটা মনোভাৱ হৈছে ইংৰাজী একেবাৰে উঠি যাব। ইংৰাজীত যেনে ধৰণে জোৰ দিব লাগিছিল তেনে ধৰণে দিয়া নাই। আমাৰ ছাত্ৰ-ছাত্ৰী সকল ইংৰাজীত বৰ পিচপৰা। প্ৰতিযোগিতামূলক পৰীক্ষা বিলাক ইংৰাজীতে হয়। কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীসকল অকৃতকাৰ্য্য হয়। সেই কাৰণে ইংৰাজী শিক্ষাত জোৰ দিবলৈ মই অনুৰোধ কৰিছো। তাৰ পাচত আমাৰ একেজন সঞ্চালকে কলেজৰ পৰা আৰম্ভ কৰি সকলো স্কুলৰ কাম কৰিব লাগে। মোৰ অনুৰোধ কলেজ হাইস্কুল বিশ্ববিদ্যালয় আদি সকলোতে একোজন সুকীয়া সঞ্চালক হব লাগে। এই ধৰণে কৰিলে আমাৰ শিক্ষা বিষয়ত উন্নতি

হব। এইখিনিকে কৈ মাননীয় সদস্য বৰা ডাঙৰীয়াই আগবঢ়োৱা প্ৰস্তাৱটো সমৰ্থন কৰি চৰকাৰী বিবেচনাৰ বাবে আগবঢ়ালো।

*মৌলানা আব্দুল জলিল চৌধুৰী : অধ্যক্ষ মহোদয়, শিক্ষাৰ প্ৰসাৰ সম্পৰ্কে সৰকাৰেৰ ক্ষমতা সীমাবদ্ধ বলে আমি বিশ্বাস কৰি। আমাদেৰ ৰাজ্যেৰ এই যে বিৰাট জনসমুদ্ৰ, অৰ্থাত এই দেৰকোটি লোকেৰ ছেলেমেয়েদেৰে শিক্ষিত কৰা কেবল সৰকাৰেৰ পক্ষে সম্ভৱ নয়। এতে সমাজেৰ সাহায্য প্ৰয়োজন। তাৰ একটা প্ৰধান কাৰণ হলো এই বিৰাট জনসমুদ্ৰেৰ শতকৰা ৭০ ভাগ দৰিদ্ৰ সীমাৰেখাৰ নীচে বসবাস কৰছে। ফলে এদেৰ অৰ্থনৈতিক সমস্যাৰ সমাধান কৰে শিক্ষাৰ প্ৰসাৰেৰ ব্যৱস্থা কৰা একা সৰকাৰেৰ পক্ষে অসম্ভৱ।

তাই আমাৰ পৰামৰ্শ এই যে যোৱা এতদিন নানা কাৰণে শিক্ষা লাভ কৰতে পাৰেনি তাদেৰ কথা চিন্তা না কৰে বৰ্তমানে যাদেৰ শিক্ষা দেওয়া প্ৰয়োজন এবং ভৱিষ্যত বংশধৰেৰা যাৰা আসছে, তাদেৰ উপযুক্ত শিক্ষাৰ ব্যৱস্থা কৰা প্ৰয়োজন সুতৰাং এই কথাগুলি বিবেচনা কৰলে দেখা যায়,—এক্ষেত্ৰে বক্তৃতা দিয়ে কেবল সৰকাৰেৰ সমালোচনা কৰলে সমস্যাৰ সমাধান হবেনা। সমাজকে এই কাজে এগিয়ে আসতে হবে। যাৰা শিক্ষায় উন্নত তাদেৰে এই অশিক্ষিত লোকেদেৰ মধ্যে শিক্ষাৰ প্ৰদীপ জ্বালানোৰ দায়িত্ব নিতে হবে। এইসব অশিক্ষিত লক্ষ লক্ষ লোকেদেৰ মনোভাবেৰ পৰিবৰ্তন সাধন কৰতে হবে। নামাজেৰ 'ইমাম' যেমন কৰে ধৰ্মীয় শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰেন, তেমনি তাদেৰ ক্ষেত্ৰেও এই দায়িত্ব পালনে এগিয়ে আসতে হবে। এই গুলি যদি কৰা সম্ভৱ হয় তবেই দেশে শিক্ষাৰ এক আলোড়ণ সৃষ্টি হবে। এই দায়িত্ব প্ৰত্যেক শিক্ষিত লোকেৰ বিশেষ কৰে প্ৰত্যেক বিধায়কদেৰে নিতে হবে। অৱশ্যে সৰকাৰ এই বিষয়ে প্ৰয়োজনীয় সাহায্য এবং পৰামৰ্শ দিতে বাধ্য।

চৰকাৰ শিক্ষাৰ প্ৰসাৰেৰ জন্য বিগত ২৫ বৎসৰে কিছু কৰে নাই—একথা যদি বলে আমি তা কোন অৱস্থায়ই মানতে ৰাজী নয়। কংগ্ৰেস সদস্য বলে নয়। কাৰণ, এক সময় এই বিধান সভাৰ বাজেটে ৩ কোটি টাকা বৰাদ্দ কৰা হতো, আৰ আজ ৫০০ কোটি টাকা বৰাদ্দ কৰা হচ্ছে। এই ক্ৰমবৰ্দ্ধমান অৰ্থেৰ এক বিৰাট সংখ্যা প্ৰতি বছৰ শিক্ষাৰ খাতে ব্যয় কৰা হচ্ছে। সুতৰাং এক্ষেত্ৰে, সৰকাৰী প্ৰচেষ্টা দোষমুক্ত।

তবে, শিক্ষাৰ মান যে নিম্নগামী হচ্ছে তা অস্বীকাৰ কৰাৰ প্ৰয়োজন নেই। তাৰ কাৰণ হলো শিক্ষা আজকাল পৰিপূৰ্ণ ভাৱে ডিপ্লোমা ভিত্তিক শিক্ষায় ৰূপান্তৰিত হয়েছে। শিক্ষা মানুষেৰ অন্তৰকে পৰিশুদ্ধ কৰে তাৰ অন্তৰে জ্ঞানেৰ

*Speech not corrected

প্রদীপ প্রজ্জ্বলিত কৰে। কিন্তু আজকাল যে শিক্ষা হচ্ছে—তা অর্থকৰী শিক্ষা। এই শিক্ষায় মানুহ জ্ঞান লাভ কৰছে না—কিভাবে চাকৰি পাবে, কোন চাকৰীতে অর্থাগম বেশী এইসব বিবেচনায় মানুষ বিভিন্ন লাইনে শিক্ষালাভ কৰে ফলে আজ আমৰা মানুষেৰ মনেৰ দৈন্যতা দেখতে পাই। প্রথম ভাগে শিক্ষাৰ শুৰতে আমৰা পড়েছি—'মিথ্যাকথা বলা মহাপাপ,'—কিন্তু বাস্তৱে কি দেখতে পাই? এই সদনে যত প্রশ্ন কৰা হয় তাৰ উত্তৰ বেশীৰ ভাগই মিথ্যাৰ উপৰ ভিত্তি কৰে।

(হাসি)

মামলা মোকদ্দমা ইত্যাদিৰ ক্ষেত্রে শিক্ষিত বুদ্ধিজীৱিগণ যত বেশী মিথা কথা বলেন তত এ তাদেৰ পসাৰ বাড়ে, নাম হয়।

অধ্যক্ষ মহোদয়, পৰিসংখ্যা নিলে দেখা যাবে, ডাকাতদেৰ মধ্যে শিক্ষিত লোক বেশী, বিশেষভাবে ৰেল গাড়ীতে যে সব ডাকাতি হয়।

(ভয়েস: আপনাকে ডাকাত ধৰেছিল নাকি?)

আমাকে ডাকাত ধৰেনি। কাৰণ ডাকাত নিশ্চয় বুজেছিল যে আমাকে ধৰে বিশেষ লাভ হবেনা।

সুতৰাং, একটু লক্ষ্য কৰলে দেখা যাবে প্রকৃত শিক্ষাৰ অভাৱে তথাকথিত শিক্ষিত সমাজেৰ মধ্যে কিভাবে দুর্নীতি বিৰাজ কৰছে।

সেজন্য আমাৰ বক্তব্য হলো, ধর্মীয় শিক্ষাৰ উপৰ জোৰ দিতে হবে। মানুষকে তাৰ নিজস্ব ধর্মে, যেমন হিন্দু, মুছলমান, খৃষ্টান, জৈন ইত্যাদি ধর্মীয় শিক্ষায় শিক্ষিত কৰে তুলতে হবে। তবেই দুর্নীতিৰ অবসান ঘটবে বলে আমাৰ বিশ্বাস।

সেজন্য, আমি নিজেৰ চেষ্টায় ইনফৰম্যাল স্কুল স্থাপিত কৰেছি। এই স্কুলে ধর্মীয় শিক্ষাৰ ব্যৱস্থা আছে। যেমন, এল্লমিক এবং সৎসঙ্গেৰ শিক্ষা ব্যৱস্থা। এতে আমি অত্যন্ত সুফল লাভ হয়েছে বলে দেখতে পেয়েছি।

মাননীয় অধ্যক্ষ: পাঁচটা বেজে গিয়েছে। শেষ হতে আৰ কত দেৰী?

মৌলনা আব্দুল জলিল চৌধুৰী: এটা আমাৰ দুর্ভাগ্য......

মাননীয় অধ্যক্ষ: ঠিক আছে; পৰে বলবেন। Now the House stands adjourned till 10 A. M. tomorrow.

## ADJOURNMENT

The House then rose at 5 P. M. and stood adjourned till 10 A. M. on wednesday, the 24th March, 1976.

Dispur:
The 23rd March, 1976.

P. D. Barua
Secretary
Assam Legislative Assembly